সংবাদ সেৱাৰে, দেশৰ সেৱাত ৩২ বছৰৰ এক অবিৰত যাত্ৰা...
গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক
# ৰঙিলী বাৰ্ত্তা
Govt. of Assam Approved
Postal Redg. No. GH- 098/2012-17
৩২ বছৰ, ২০ সংখ্যা,সংখ্যা, ২ জেঠ, ৰবিবাৰ,১৪৩৩ ভাস্কৰাব্দ, পঞ্জীয়ন নং- ৫৩৮৮৩/ ১৯৯৪
RNI No.53883/94. GHY- 781025. Vol. 32: Issue No. 20 Date of Publication- 17 May 2026 Rs. 10.00/-

## দায়িত্ব গ্ৰহণ কৰিয়েই ১০০ দিনীয়া কৰ্মসূচী ঘোষণা মন্ত্ৰী অতুল বৰাৰ




ৰঙিলী বাৰ্ত্তাসেৱা- শপতগ্ৰহণৰ পিছত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ দায়িত্ব গ্ৰহণ কৰিয়েই তৎপৰ হৈ পৰিছে মন্ত্ৰী অতুল বৰা। মন্ত্ৰীগৰাকীয়ে আগন্তুক সময়ৰ বাবে প্ৰস্তুত কৰিলে ১০০দিনীয়া কাৰ্যসূচী। দপ্তৰ লাভৰ পিছতে শনিবাৰে মন্ত্ৰী অতুল বৰা দিছপুৰৰ জনতা ভৱনৰ কাৰ্যালয়ত উপস্থিত হয়। জনতা ভৱনত মন্ত্ৰীগৰাকীয়ে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ উপৰি আন বিভাগৰো আমোলা-বিষয়াৰে পৰ্যালোচনা বৈঠকত মিলিত হয়।একপ্ৰকাৰ শনিবাৰে মন্ত্ৰীগৰাকীয়ে আনুষ্ঠানিকভাৱে দায়িত্বভাৰ গ্ৰহণ কৰে। পৰ্যালোচনা বৈঠকত চাহ বাগিচাৰ যিসকল শ্ৰমিকে ভূমিপট্টা লাভ কৰিছে, তেনে শ্ৰমিক পৰিয়ালক প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ ঘৰ একোটাকৈ প্ৰদান নিশ্চিত কৰাৰ বাবে গ্ৰহণ কৰা হয় সিদ্ধান্ত। উল্লেখ্য যে মুখ্যমন্ত্ৰীৰ সৈতে যোৱা ১২ মে'ত কেবিনেট মন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰা অগপ সভাপতি অতুল বৰাক পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ লগতে আন কেইবাটাও গুৰুত্বপূৰ্ণ বিভাগৰ দায়িত্ব অৰ্পণ কৰা হৈছে। শনিবাৰে জনতা ভৱনৰ চৰকাৰী কাৰ্যালয়ত মন্ত্ৰীগৰাকীয়ে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অন্তৰ্গত অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান, চমুকৈ এএছআৰএলএমৰ অগ্ৰগতিৰ বিষয়ে বুজ লয়। মুখ্যতঃ বিভাগটোৰ বাজেটৰ ফলপ্ৰসু ব্যৱহাৰ, ৰজ্মজ্মদিনীয়া এক কৰ্মপৰিকল্পনা ৰূপায়ণ, খালী পদ পূৰণৰ প্ৰক্ৰিয়া ত্বৰান্বিত কৰা, সেৱা প্ৰদান ব্যৱস্থা শক্তিশালী কৰা আদি কৰ বিষয়সমূহ আজিৰ

(দহ পৃষ্ঠাত চাওক)

## গুৱাহাটীত এআইচালিত প্ৰথমটো বেংকৰ শাখা উদ্বোধন মুখ্যমন্ত্ৰী ড° শৰ্মাৰ



ৰঙিলী বাৰ্ত্তাসেৱা- ৰাজ্যৰ ডিজিটেল আৰু কৃত্ৰিম বুদ্ধিমত্তা খণ্ডত এক নতুন মাত্ৰা যোগ কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গুৱাহাটীৰ জি এছ ৰোডত ‘শ্লাইচ স্মল ফাইনেঞ্চ বেংক’ৰ দেশৰ প্ৰথমটো এআই চালিত ‘ফিজিটেল’ (শাৰীৰিক আৰু ডিজিটেলৰ সংমিশ্ৰণ) বেংকিং শাখা আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। নতুন প্ৰজন্মৰ এই বেংকিং শাখাটোত এ আই-সক্ষম স্ব-চালিত কিঅ'স্ক (Self-service kiosks), কাগজবিহীন ধন জমা আৰু উলিওৱা ব্যৱস্থাৰ লগতে সম্পূৰ্ণ ডিজিটেল উপায়েৰে গ্ৰাহক ভৰ্তি কৰাৰ সুব্যৱস্থা কৰা হৈছে। গ্ৰাহকৰ আস্থা আৰু ডিজিটেল সুবৰ্ণ সুযোগৰ এক অনন্য সংমিশ্ৰণেৰে নিৰ্মাণ কৰা এই আধুনিক শাখাটোৰে সকলো শ্ৰেণীৰ গ্ৰাহকৰ বাবে বেংকিং সেৱাক

( দুই পৃষ্ঠাত চাওক)


## নেদাৰলেণ্ডত প্ৰধানমন্ত্ৰী মোদীক বিহুৰে আদৰণি অসমীয়াৰ



ৰঙিলী বাৰ্ত্তাসেৱা- পাঁচ দেশৰ ভ্ৰমণত থকা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁ কাৰ্যসূচীৰ দ্বিতীয় অংশ হিচাপে শুকুৰবাৰে দুদিনীয়া ভ্ৰমণসূচীৰে নেদাৰলেণ্ডত উপস্থিত হয়। দ্য হেগ চহৰত আয়োজিত এটা অনুষ্ঠানত তেওঁ নেদাৰলেণ্ডত থকা প্ৰবাসী ভাৰতীয়সকলৰ সন্মুখত ভাষণ প্ৰদান কৰে। ভাষণ প্ৰসংগত তেওঁ ভাৰতৰ ষ্টাৰ্টআপ ইক' ছিষ্টেম,

(দহ পৃষ্ঠাত চাওক)

## পাকিস্তানে মানচিত্ৰত থাকিবলৈ বিচাৰে নে ইতিহাসত তেওঁলোকেই থিৰাং কৰিব লাগিবঃ সেনাপ্ৰধান



ৰঙিলী বাৰ্ত্তাসেৱা- সন্ত্ৰাসবাদক সহায় কৰাৰ অভিযোগ তুলি পাকিস্তানক পুনৰ সতৰ্ক কৰি দিলে ভাৰতে। ইছলামাবাদক সাৱধান কৰি দি ভাৰতীয় সেনাপ্ৰধান উপেন্দ্ৰ দ্বিবেদীয়ে কয়, ‘পাকিস্তানে মানচিত্ৰত থাকিবলৈ বিচাৰে নে ইতিহাসত তাক তেওঁলোকেই থিৰাং কৰিব লাগিব।’ শনিবাৰে দিল্লীৰ মানেকছ চেণ্টাৰত ‘ইউনিফৰ্ম আনভেইল্ড’ৰ দ্বাৰা আয়োজিত এটা অনুষ্ঠানত তেওঁক সোধা হৈছিল যে যোৱা বছৰ অপাৰেচন সিন্দুৰৰ দৰে পৰিস্থিতি পুনৰ সৃষ্টি হ'লে ভাৰতীয় সেনা বাহিনীয়ে কিদৰে তাৰ উত্তৰ দিব। এই প্ৰসংগত সেনা প্ৰধানগৰাকীয়ে কয়, ‘পাকিস্তানে যদি সন্ত্ৰাসবাদীক আশ্ৰয় দিয়া আৰু ভাৰতৰ বিৰুদ্ধে কাৰ্যকলাপ চলাই থকাটো অব্যাহত ৰাখে, তেনেহ'লে তেওঁলোকেই সিদ্ধান্ত ল'ব লাগিব যে তেওঁলোকে ভূগোলৰ অংশ হ'বলৈ বিচাৰে নে ইতিহাসৰ অংশ হ'বলৈ বিচাৰে।’ দেশ আৰু

( তিনিপৃষ্ঠাত চাওক)

## হেমন্ত চৌধুৰীক মুখ্যমন্ত্ৰীৰ অ'এছডি হিচাপে নিযুক্তি



ৰঙিলী বাৰ্ত্তাসেৱা- ৰাজ্য চৰকাৰৰ ৰূপান্তৰ আৰু উন্নয়ন বিভাগৰ সহকাৰী গৱেষণা বিষয়া হেমন্ত চৌধুৰীক পুনৰ ড° মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ বিশেষ কৰ্তব্যৰত বিষয়া (অ' এছ ডি) হিচাপেও দায়িত্ব দিয়া হৈছে। এই নিযুক্তি পৰৱৰ্তী নিৰ্দেশ নিদিয়া পৰ্যন্ত বলবৎ থাকিব। অৰ্থাৎ হেমন্ত চৌধুৰীয়ে এতিয়া দুটা পদত কাম কৰিব লাগিব। সহকাৰী গৱেষণা বিষয়া, ৰূপান্তৰ আৰু উন্নয়ন বিভাগ আৰু মুখ্যমন্ত্ৰীৰ বিশেষ কৰ্তব্যৰত বিষয়া।

(দহ পৃষ্ঠাত চাওক)

# ২১ জুনত অনুষ্ঠিত হ'ব নীট




ৰঙিলী বাৰ্তাসেৱা- নেচনেল টেষ্টিং এজেঞ্চী (এনটিএ) য়ে সৰ্বভাৰতীয় প্ৰৱেশিকা পৰীক্ষাৰ (নীট-ইউজি ২০২৬) নতুন দিন ঘোষণা কৰিলে। সংস্থাটোৱে জনোৱা মতে, অহা ২১ জুনত পুনৰ অনুষ্ঠিত হ'ব নীট-ইউজি চ০২৬১ পৰীক্ষা। সমগ্ৰ দেশতেই ২২ লাখৰো অধিক ছাত্ৰ-ছাত্ৰীয়ে এই পৰীক্ষাত অৱতীৰ্ণ হ'ব। শুকুৰবাৰে সামাজিক মাধ্যম এক্স হেণ্ডেলত এই পৰীক্ষাৰ দিন ঘোষণা কৰে এনটিএয়ে। এই ঘোষণাত জনোৱা মতে, কেন্দ্ৰৰ সন্মতি লৈয়েই ২১ জুন পৰীক্ষাৰ দিন স্থিৰ কৰা হৈছে। ইতিমধ্যে নীটৰ প্ৰশ্নকাকত ফাদিল হোৱাৰ ঘটনাত দেশজুৰি হুলস্থুল লাগিছে। যোৱা ৩ মে'ত নীটৰ পৰীক্ষা অনুষ্ঠিত হৈছিল, কিন্তু তাৰ কিছুদিন পিছত পোহৰলৈ আহে যে প্ৰশ্নকাকত ফাদিল হৈ গৈছে। তাৰ পিছতেই নীটৰ সমগ্ৰ পৰীক্ষাটোৱেই বাতিল কৰি দিছিল এনটিএই। শুকুৰবাৰে এক্স হেণ্ডেলত যিটো বিবৃতি সংস্থাটোৱে প্ৰকাশ কৰিছে, তাত অভিভাৱকসকলক পৰামৰ্শ দিয়া হৈছে যাতে তেওঁলোকে যিকোনো তথ্য আৰু পৰীক্ষাৰ বাবে এনটিএৰ নিজা ৱেবছাইটসমূহ অনুসৰণ কৰে। উল্লেখ্য যে নীটৰ প্ৰশ্নকাকত ফাদিলৰ ঘটনা পোহৰলৈ অহাত সমগ্ৰ দেশতে হুলস্থুল লগাৰ পিছত যোৱা ১২ মে'ত নীটৰ পৰীক্ষা বাতিল কৰাৰ কথা ঘোষণা কৰে সংস্থাটোৱে। পৰীক্ষা বাতিলৰ ঘোষণাৰ লগে লগে লাখ লাখ পৰীক্ষাৰ্থীৰ অথাই সমুদ্ৰত পৰাৰ দৰে অৱস্থা হয়। ঠায়ে ঠায়ে প্ৰতিবাদ- বিক্ষোভত নামে পৰীক্ষাৰ্থীসকল। অভিভাৱকসকলেও অসন্তুষ্টি প্ৰকাশ কৰে। পৰীক্ষা বাতিলৰ ঘোষণাৰ পিছতে এনটিএয়ে ঘোষণা কৰে যে ৭-১০ দিনৰ ভিতৰতে পৰৱৰ্তী পৰীক্ষাৰ দিন ঘোষণা কৰা হ'ব। তাৰ পিছত নীটৰ পৰৱৰ্তী পৰীক্ষাৰ দিন ঘোষণা কৰা হ'ল শুকুৰবাৰে। আনহাতে, প্ৰশ্নকাকত ফাদিলৰ অপকৰ্ম ৰুধিবলৈ অহা বছৰৰ পৰা আমূল পৰিৱৰ্তন সাধন কৰা হৈছে নীটৰ প্ৰক্ৰিয়াত। কাগজে-কলমে নহয়, এইবাৰ কম্পিউটাৰত অনুষ্ঠিত হ'ব নীট। নীটৰ প্ৰশ্নকাকত ফাদিল হোৱা সন্দৰ্ভত সাংবাদিকৰ সন্মুখত কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে এই ঘোষণা কৰি কয় যে ২০২৭ চনৰ পৰা অনলাইনযোগে পৰীক্ষা অনুষ্ঠিত হ'ব। প্ৰশ্নকাকত ফাদিল ৰুধিবলৈকে এই পদক্ষেপ লোৱা হৈছে বুলি জনায় শিক্ষামন্ত্ৰীগৰাকীয়ে। নীটৰ প্ৰশ্নকাকত ফাদিল হোৱাৰ পিছত শুকুৰবাৰে প্ৰথমবাৰৰ বাবে সাংবাদিকৰ মুখামুখি হয় কেন্দ্ৰীয় শিক্ষামন্ত্ৰীগৰাকী। তেওঁ স্পষ্টকৈ জনাই দিয়ে যে যিবোৰ মাফিয়া চক্ৰই বাৰে বাৰে প্ৰশ্নকাকত ফাদিল কৰিছে, তেওঁলোকৰ বিৰুদ্ধে জিৰ' টলাৰেঞ্চ নীতি গ্ৰহণ কৰা হ'ব। শিক্ষাৰ্থীৰ ভৱিষ্যতৰ সৈতে কোনো প্ৰকাৰে আপোচ কৰা নহ'ব। সাংবাদিক মেলত শিক্ষামন্ত্ৰীগৰাকীয়ে কয়-'ৰাধাকৃষ্ণন কমিটীৰ পৰামৰ্শ অনুসৰণ কৰা সত্বেও কমাণ্ড চেইনত ত্ৰুটি ৰৈ গৈছিল। আমি তাক স্বীকাৰ কৰিছোঁ আৰু ইয়াক উন্নত কৰাৰ দায়িত্ব লৈছোঁ।' ইতিমধ্যে প্ৰশ্নকাকত ফাদিলৰ ঘটনাটোৰ তদন্তৰ দায়িত্ব লৈছে চিবিআয়ে। কেইবাজনো লোকক গ্ৰেপ্তাৰো কৰা হৈছে। কেন্দ্ৰীয় শিক্ষামন্ত্ৰীগৰাকীয়ে কয়- 'নীটৰ নিচিনা কঠিন পৰীক্ষা বাৰে বাৰে দিয়াটো পৰীক্ষাৰ্থীসকলৰ বাবে শাৰীৰিক আৰু মানসিক নিৰ্যাতনৰ

( পাঁচ পৃষ্ঠাত চাওক)

# ডিমৰুগুৰিবাসীৰ চকুলো



দেৱাশীষ গোস্বামী,ৰঙিলী বাৰ্তাসেৱা- ফটোৱে কথা কয়, ওপৰৰ ফটো কেইখনে নিজেই ব্যক্ত কৰিছে অন্তৰ্নিহিত সাৰ-মৰ্ম। নগাৱৰ অতি বেছি গুৰুত্বপূৰ্ণ এই পথটিয়েই স্কুল, কলেজ, আফিছ- কাছাৰি, Stadium, বজাৰ সমাৰৰ মূল সংযোগী পথ। পিছে নিতৌ হাজাৰ হাজাৰ মানুহৰ, গাড়ীৰ ভৰ সহি সহি আজি তথৈবচ অৱস্থাৰে পথটি যথেষ্ট বিপদ জনক হৈ পৰিছে। যিকোনো সময়তে ভয়ংকৰ দুৰ্ঘটনাৰ কাৰক হৈ পৰিব পৰা উক্ত পথটি বহুত দিনৰে পৰা এনেদৰে বৈ যোৱাৰ ৰহস্য সৰ্বসাধাৰণৰ বাবে এক অবুজ সাঁথৰ। কটা ঘাঁত মলম বেণ্ডেজ লগোৱাৰ দৰে উক্ত পথটি কাৎচিত মেৰামতি কৰা দেখা যায় যদিও তেনে ক্ষণস্থায়ী। বিকাশৰ ঢৌত প্ৰায় সকলোখিনি উটি যাঁহি যোৱাৰ সময়ত জৰাজীৰ্ণ পথটোত জমা হৈ থকা পানীখিনি যেন ডিমৰুগুৰিবাসীৰ চকুলোহে। সচেতন ৰাইজ অতি শীঘ্ৰে ডিমৰুগুৰিৰ অনিল শইকীয়া পথৰ সমীপৰ বাজাজ ডিলাৰঅৰ সন্মুখৰ উক্ত পথছোৱাই কাৰোবাৰ প্ৰাণ কাঢ়ি লোৱাৰ পূৰ্বেই স্থায়ী সমাধানৰ অপেক্ষাত।

# গুৱাহাটীত এআইচালিত প্ৰথমটো

অধিক সৰল কৰি তোলা আৰু গ্ৰাহকৰ কাষ চপাই নিয়াত সহায়ক হ'ব। বিশেষকৈ যিসকল লোক বা ক্ষুদ্ৰ ব্যৱসায়ী এতিয়ালৈকে আধুনিক বেংকিং সেৱাৰ পৰা বঞ্চিত হৈ আছিল, তেওঁলোকক বৰ্ধিত শাৰীৰিক উপস্থিতি আৰু শক্তিশালী ডিজিটেল আন্তঃগাঁথনিৰ জৰিয়তে সুলভ ঋণ, সঞ্চয় আৰু ধন পৰিশোধৰ সুৰক্ষিত সুবিধা প্ৰদান কৰাটোৱেই এই বেংকৰ মূল লক্ষ্য। এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে এই নতুন ডিজিটেল আৰু এআইচালিত শাখাটো হৈছে চহৰীয়া অঞ্চলৰ লগতে চৰকাৰী সা-সুবিধা কমকৈ পোৱা পিছপৰা শ্ৰেণীৰ মাজতো এক সামগ্ৰিক বিত্তীয় পৰিৱেশ গঢ়ি তোলাৰ দিশত এক ডাঙৰ পদক্ষেপ। তেওঁ এনে অনন্য সেৱাৰে সমৃদ্ধ বেংকৰ আগমনে ৰাজ্যখনত প্ৰকৃত বিনিয়োগৰ পৰিৱেশ সৃষ্টি কৰিছে, যাৰ বাবে ৰাজ্য চৰকাৰে দীৰ্ঘদিনৰে পৰা প্ৰচেষ্টা চলাই আহিছিল। শ্লাইচ স্মল ফাইনেঞ্চ বেংকৰ সৈতে চৰকাৰৰ এই অংশীদাৰিত্ব অসমৰ বৰ্তমানৰ প্ৰয়োজনীয়তাৰ সৈতে খাপ খোৱা এক উপযুক্ত সহযোগিতা বুলিও তেওঁ অভিহিত কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়-গুৱাহাটীত দেশৰ প্ৰথমটো ডিজিটেল আৰু এআইচালিত বেংক শাখা মুকলি হোৱাটোৱে ভাৰতীয় বেংকিং খণ্ডৰ ভৱিষ্যতক আদৰি ল'বলৈ অসম সম্পূৰ্ণ সাজু। ৰাষ্ট্ৰীয় পৰ্যায়ৰ বৃহৎ প্ৰতিষ্ঠানসমূহে নিজৰ কাৰ্যালয় অসমলৈ অনাটোৱে অসমৰ পূৰ্ণ প্ৰস্তুতিক স্পষ্ট কৰি তুলিছে। লাহে লাহে অসমৰ যুৱক-যুৱতীয়ে বহিঃৰাজ্যলৈ গৈ কাম কৰাৰ প্ৰয়োজন নহ'ব। দৰাচলতে অসমত ঔদ্যোগিক পৰিৱেশ গঢ়ি তোলাৰ বাবে আজি নতুন নতুন উদ্যোগৰ ভেটি স্থাপন কৰিবলৈ অসমলৈ ধাৱমান হৈছে নতুন নতুন প্ৰতিষ্ঠান। এই পৰিৱেশৰ ধাৰাবাহিকতা ৰক্ষা কৰিব পাৰিলে আমাৰ ল'ৰা-ছোৱালীয়ে বাহিৰত গৈ কাম কৰিব নালাগে। গতিকে আমি ইয়াক সকলোৱে দায়িত্ব হিচাপে গ্ৰহণ কৰা উচিত। এই শাখাৰ এক বিশেষ সুবিধাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে গ্ৰাহকসকলে কোনো সুকীয়া ম'বাইল এপ্লিকেচন নোহোৱাকৈয়ে পোনপটীয়াকৈ ইউপিআই আইডিৰ জৰিয়তে ঋণ ল'ব পাৰিব। ইয়াৰ ফলত আমাৰ ক্ষুদ্ৰ ব্যৱসায়ী আৰু মহিলা উদ্যোগীসকলে ব্যৱসায় বৃদ্ধিৰ বাবে প্ৰয়োজনীয় মূলধন মাত্ৰ কেইমিনিটমানৰ ভিতৰতে নিজৰ ম'বাইলতে লাভকৰিবলৈ সক্ষম হ'ব। এই ব্যৱস্থাই বিত্তীয় অন্তৰ্ভুক্তিকৰণক আটাইতকৈ ব্যৱহাৰিক আৰু অৰ্থপূৰ্ণ ৰূপ দিছে। ৰাজ্য চৰকাৰে অসমক এক দায়িত্বশীল আৰু প্ৰযুক্তিচালিত বিনিয়োগৰ মুখ্য স্থান হিচাপে গঢ়ি তুলিবলৈ বদ্ধপৰিকৰ। তেওঁ লগতে কয় যে চৰকাৰে এনে এক পৰিৱেশ সৃষ্টিৰ বাবে অহৰহ কাম কৰি আছে য'ত ব্যৱসায়-বাণিজ্যৰ প্ৰসাৰ ঘটে, যুৱপ্ৰজন্মই কৰ্মসংস্থাপনৰ নতুন সুযোগ লাভ কৰে আৰু ৰাজ্যৰ প্ৰতিগৰাকী নাগৰিকে এক উন্নত জীৱন গঢ়িবলৈ প্ৰয়োজনীয় বিত্তীয় সঁজুলিসমূহ সহজে লাভ কৰিব পাৰে। গুৱাহাটীত এই নতুন যুগৰ বেংকিং শাখা স্থাপন কৰাৰ বাবে মুখ্যমন্ত্ৰীয়ে বেংক কৰ্তৃপক্ষক ধন্যবাদ জ্ঞাপন কৰে। এই উদ্বোধনী অনুষ্ঠানত প্ৰাক্তন মন্ত্ৰী অশোক সিংহল, শ্লাইচ স্মল ফাইনেঞ্চ বেংকৰ পৰিচালন সঞ্চালক তথা মুখ্য কাৰ্যবাহী বিষয়া ৰাজন বাজাজ, এন পিচি আইৰ পৰিচালন সঞ্চালক তথা মুখ্য কাৰ্যবাহী বিষয়া দিলীপ আছবেৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

**সম্পাদকীয় শিতান... দেৱাশীষ গোস্বামী**

# কচু, ঢেকীয়া, পচলা... মূল্যবৃদ্ধি, পেটত গামোচা, ইত্যাদি ইত্যাদি




•পেটত জুই
মুখত থুই
•পেটত গামোচা
মনত আশা...
কোনোবাই দিয়েহি
জানোচা...

ইতিমধ্যে বজাৰৰ জুইকুৰা আহি আমাৰ পেট পালেহি। পেটৰ জুইকুৰা নুমুৱাবলৈ যিমানেই চেষ্টা কৰিছো, সিমানেই বেছিকৈহে জ্বলিছে দেখোন। বজাৰৰ পাৰাস্তম্ভ ইমানেই ওপৰলৈ উঠিছে যে এচামৰ বাবে দুবৰি পৰাই চাই সেপ ঢুকাৰ বাহিৰে গত্যন্তৰ নাই। চাৰিওফালে কেৱল মূল্যবৃদ্ধি। 'হ্ৰাস ' বুলিও যে শব্দ এটা আছিল লাহে লাহে অভিধানৰ পৰা নোহোৱা হৈ গৈছে, একমাত্ৰ মানুহৰ জীৱনকাল বাদ দি। ক'ত যাওঁ, কি কৰো, 'ফাট মেলা বসুমতী পাতালে লুকাওঁ' বুলি ক'বলৈও 'ৰামো নাই অযোধ্যাও নাই'। বিভিন্ন দল-সংগঠন তেনেই নিমাত। এসময়ত গগণ কপোৱা প্ৰতিবাদী কণ্ঠস্বৰ সমূহ সম্ভৱত আজি অৱসৰপ্ৰাপ্ত নাইবা অৱসৰ বিনোদনত ব্যস্ত। এতিয়া পেটত গামোচা মাৰি, জলজীৱন আঁচনিৰ পানীৰে পেট পুৰাই দৰিদ্ৰ, নিম্ন মধ্যবিত্ত তথা মধ্যবিত্ত সকলৰ হা-হুমুনিয়াহ খিনিৰ একমাত্ৰ আশা ভৰষাৰ থল হ'ল চৰকাৰখনেই। কিজানি বা নতুনকৈ পেট্ৰল আঁচনি, ডিজেল আঁচনি, ঔষধ আঁচনি, পিন্ধা কাপোৰ আঁচনি, মিঠাতেল আঁচনি, পাচলি আঁচনি আদি আঁচনিবোৰ, আন বিভিন্ন ধৰণৰ আঁচনিবোৰৰ দৰে ৰূপায়ন হয়েই। আঁচনিবোৰৰ ৰূপায়ন হোৱালৈকে পেটৰ জুইকুৰা কচু, ঢেকীয়া, পচলা তথা জলজীৱন আঁচনিৰ পানীৰেই নুমুৱাই উন্নতিৰ জখলাত দোপতদোপে বিভিন্ন ধৰণৰ ঋণৰ বোজা মূৰত লৈ আকাশলঙ্ঘী কৰ পৰিশোধেৰে আগুৱাই যাবই লাগিব,জীয়াই থাকিবই লাগিব অন্তত আকৌ এবাৰ EVM মেচিনৰ ৰঙা নীলা বুটামবোৰ টিপিবলৈ।

# দেশত বৃদ্ধি পালে পেট্ৰ’ল-ডিজেলৰ দাম




ৰঙিলী বাৰ্ত্তাসেৱা- পুনৰ বৃদ্ধি পালে ইন্ধনৰ মূল্য। পেট্ৰ’ল-ডিজেলৰ দাম প্ৰতি লিটাৰত তিনি টকা পৰ্যন্ত বৃদ্ধি কৰিছে। কেন্দ্ৰীয় চৰকাৰে দাম বৃদ্ধি কৰাৰ ফলত দেশত প্ৰতি লিটাৰ পেট্ৰ’লৰ দামে চেঞ্চুৰী অতিক্ৰম কৰে। শুকুৰবাৰৰ পৰা প্ৰযোজ্য হোৱাকৈ বৃদ্ধি হোৱা দামৰ ফলত প্ৰতি লিটাৰ পেট্ৰ’লত বাঢ়িল ৩.১৪ টকা। ডিজেলৰো প্ৰতি লিটাৰত ৩.১১ টকা বৃদ্ধি হৈ মূল্যই শতকৰ ঘৰ স্পৰ্শ কৰাৰ দৌৰত আছে। দৰ বাঢ়িছে চিএনজিৰো। প্ৰতি কেজি চিএনজিৰ দাম দিল্লী আৰু মুম্বাইৰ দৰে চহৰত ২ টকাকৈ বৃদ্ধি কৰা হৈছে। দিল্লীত প্ৰতি কেজি চিএনজিৰ দাম আছিল পূৰ্বে ৮৫ টকা। এতিয়া ই বাঢ়ি গৈ ৮৭টকা হৈছে। প্ৰতি লিটাৰ পেট্ৰ’লৰ দাম ৩ টকাকৈ বৃদ্ধি হোৱাত দেশৰ ৰাজধানী দিল্লীত প্ৰতি লিটাৰ পেট্ৰ’লৰ দাম ৯৪.৭৭ টকাৰ পৰা বৃদ্ধি হৈ ৯৭.৭৭ টকা হয়।গুৱাহাটীত পেট্ৰ’লৰ মূল্য প্ৰতি লিটাৰত ৯৮.১৯ টকাৰ পৰা ১০১.২০ টকালৈ বৃদ্ধি পাইছে। আনহাতে চহৰখনত ৮৯.৪০ টকাৰ বিপৰীতে (চাৰিপৃষ্ঠাত চাওক)

# ইউএইৰ ৰাষ্ট্ৰপতিৰ সৈতে দুখন গুৰুত্বপূৰ্ণ চুক্তিত স্বাক্ষৰ প্ৰধানমন্ত্ৰী মোদীৰ



ৰঙিলী বাৰ্ত্তাসেৱা- প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি সংযুক্ত আৰব আমিৰাতত (ইউ এ ই) কৰা সংক্ষিপ্ত ভ্ৰমণ ভাৰতৰ বাবে যথেষ্ট লাভদায়ক বিবেচিত হৈছে। মধ্যপ্ৰাচ্যত চলি থকা উত্তেজনাৰ সময়তে প্ৰধানমন্ত্ৰী মোদীয়ে শুকুৰবাৰে আমীৰশ্বাহীত পদাৰ্পণ কৰিয়েই দেশখনৰ ৰাষ্ট্ৰপতি শেখ মহম্মদ বিন জায়েৰ আল-নায়ানৰ সৈতে দুখন বৃহৎ চুক্তিত স্বাক্ষৰ কৰে। এই চুক্তিৰ জৰিয়তে ইন্ধন সংকটৰ মোকাবিলাৰ ক্ষেত্ৰত ভাৰতলৈ এলপিজি সৰবৰাহ কৰিব আমীৰশ্বাহীয়ে। লগতে পেট্ৰ’লিয়াম মজুতক লৈও বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিছে দুয়োখন দেশে। তদুপৰি প্ৰতিৰক্ষা শিতানতো চুক্তি হৈছে ভাৰত আৰু আমীৰশ্বাহীৰ মাজত। সংযুক্ত আৰব আমীৰশ্বাহীৰ পৰা আৰম্ভ হোৱা প্ৰধানমন্ত্ৰীৰ এই ভ্ৰমণসূচী মৰ্মে মুঠ ৫খন দেশলৈ যাব মোদী। শুকুৰবাৰে আমীৰশ্বাহীৰ আকাশত প্ৰধানমন্ত্ৰী মোদীৰ বিমান ( নপৃষ্ঠাত চাওক)

# ভাৰতীয় ‘এ’ দলৰ সহঃ অধিনায়কৰ দায়িত্বত ৰিয়ান পৰাগ



ৰঙিলী বাৰ্ত্তাসেৱা- ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব’ৰ্ডে শ্ৰীলংকাত অনুষ্ঠিত হ’বলগীয়া ত্ৰিদেশীয় শৃংখলাৰ বাবে ৰিয়ান পৰাগক ভাৰতীয় ‘এ’ দলটোৰ সহঃ অধিনায়কৰ দায়িত্ব অৰ্পণ কৰিলে। অহা ৯-২১ জুনলৈ অনুষ্ঠিত হ’বলগীয়া ত্ৰিদেশীয় শৃংখলাটোৰ বাবে ঘোষণা কৰা ভাৰতীয় দলটোৰ অধিনায়ক হিচাপে তিলক বাৰ্মাক নিযুক্তি দিয়া হৈছে। ইফালে ভাৰতৰ ছিনিয়ৰ দলত প্ৰথমবাৰৰ বাবে স্থান লাভ কৰিছে যুৱ বিস্ফোৰক বেটাৰ বৈভৱ সূৰ্যবংশীয়ে। ১৫ বছৰীয়া বৈভৱক (দহ পৃষ্ঠাত চাওক)

# বটদ্ৰৱা থান দৰ্শন কৰি আশিস ল’লে মুখ্যমন্ত্ৰীয়ে



ৰঙিলী বাৰ্ত্তাসেৱা- অসমৰ মুখ্যমন্ত্ৰী হিচাপে দ্বিতীয়বাৰৰ বাবে দায়িত্ব গ্ৰহণৰ পিছত শুকুৰবাৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই শ্ৰী শ্ৰী বটদ্ৰৱা থান দৰ্শন কৰি সেৱা আগবঢ়ায় আৰু মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আশীৰ্বাদ কামনা কৰে। শুকুৰবাৰে পুৱাতেই হেলিকপ্টাৰেৰে বটদ্ৰৱা প্ৰকল্পস্থলীত নিৰ্মাণ কৰা হেলিপেডত অৱতৰণ কৰাৰ পাছতেই বটদ্ৰৱা থানত উপস্থিত হয় মুখ্যমন্ত্ৰী ড° শৰ্মা। ইয়াৰ পিছত বটদ্ৰৱা থানৰ কীৰ্তনঘৰত প্ৰৱেশ কৰি সেৱা লয় মুখ্যমন্ত্ৰীয়ে। কীৰ্তন ঘৰত সেৱা লোৱাৰ পাছত মুখ্যমন্ত্ৰীক থান পৰিচালনা সমিতিৰ লগতে বটদ্ৰৱাৰ বিভিন্ন অনুষ্ঠান, প্ৰতিষ্ঠান, ভক্তপ্ৰাণ লোকে উষ্ম আদৰণি জনায়। আদৰণি গ্ৰহণ কৰি গুৰুজনাৰ জন্মস্থানৰ পৰাই আগন্তক পাঁচ বছৰীয়া কাৰ্যকালৰ বাবে সকলোৰে আশীৰ্বাদ বিচাৰি অসমবাসীক মুখ্যমন্ত্ৰীয়ে কেইবাটাও আশ্বাস প্ৰদান কৰে। এই উপলক্ষে শ্ৰী শ্ৰী বটদ্ৰৱা থানত উপস্থিত ভকত-বৈষ্ণৱ তথা জনসাধাৰণক সম্বোধন কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে জনসাধাৰণৰ আশীৰ্বাদত বিজেপি নেতৃত্বাধীন মিত্ৰজোটে একেৰাহে তৃতীয়বাৰলৈ চৰকাৰ গঠন ( নপৃষ্ঠাত চাওক)

# পাকিস্তানে মানচিত্ৰত

ভাৰতীয় সেনা বাহিনীয়ে অপাৰেচন সিন্দুৰৰ প্ৰথমবাৰ্ষিকী পালনৰ কেইদিনমান পিছতে ‘সেনা সংবাদ’ অনুষ্ঠানত তেওঁ এই মন্তব্য কৰে। তেওঁ পাকিস্তানক সকীয়নি দি ক’লে- চুবুৰীয়া দেশে যদি ভাৰতৰ বিৰুদ্ধে ড্ৰ’ন সৰবৰাহ আৰু সন্ত্ৰাসবাদীক আশ্ৰয় দিয়া বন্ধ নকৰে, তেন্তে পুনৰ সামৰিক প্ৰত্যুত্তৰ দিবলৈ সেনা সাজু আছে। জম্মু-কাশ্মীৰৰ পুঞ্চ জিলাত ভাৰতীয় সেনাই চলোৱা সফল সামৰিক অভিযান অপাৰেচন সিন্দুৰৰ এবছৰ সম্পূৰ্ণ হোৱাৰ উপলক্ষত ভাষণ প্ৰদান কৰি সেনাপ্ৰধানে স্পষ্ট কৰি দিয়ে যে যোৱা এটা বছৰত ভাৰতীয় সেনাই সীমান্তত নিৰাপত্তা ব্যৱস্থা অভূতপূৰ্বভাৱে কটকটীয়া কৰি তুলিছে। যাৰ ফলত পাকিস্তানৰ সন্ত্ৰাসবাদী অনুপ্ৰৱেশৰ যিকোনো চেষ্টা এতিয়া ব্যৰ্থ হৈছে। কিছুদিন পূৰ্বে অপাৰেচন সিন্দুৰৰ প্ৰথম বৰ্ষপূৰ্তিতো ইছলামাবাদক কঠোৰ বাৰ্তা দিয়ে ভাৰতীয় সেনাই। দেশৰ সশস্ত্ৰ বাহিনীৰ তিনিওটা শাখাই (স্থল, নৌ আৰু বায়ুসেনা) এটা যুটীয়া বিবৃতিত কয়, ‘নিয়ন্ত্ৰণ ৰেখাৰ সিপাৰে কোনো সন্ত্ৰাসবাদীৰ ঘাটিয়েই নিৰাপদ নহয়, ভাৰতে নিজৰ পছন্দ মতে সময় আৰু পদ্ধতি নিৰূপণ কৰি সন্ত্ৰাসৰ প্ৰতিটো পৰিকাঠামোকে লক্ষ্য কৰি ল’ব।’ এইবাৰ সন্ত্ৰাসবাদক সহায় কৰাৰ অভিযোগত পাকিস্তানক পুনৰ এবাৰ সাৱধান কৰি দিলে ভাৰতীয় সেনাই। উল্লেখ্য যে ২০২৫ চনৰ ৭ মে’ত কাশ্মীৰৰ পেহেলগামত হোৱা ৰক্তক্ষয়ী আক্ৰমণৰ প্ৰতিশোধ হিচাপে অপাৰেচন সিন্দুৰৰ জৰিয়তে ভাৰতীয় সেনাই সন্ত্ৰাসবাদীৰ কঁকাল ভাঙি দিছিল। ৮৮ ঘণ্টাৰ অপাৰেচনত সন্ত্ৰাসবাদৰ প্ৰসূতিগৃহ পাকিস্তান বিধ্বস্ত হৈ পৰিছিল। পুনৰ তেনে কোনো আক্ৰমণৰ পুনৰাবৃত্তি কৰাৰ সাহস যদি পাকিস্তানে দেখুৱায়, তেনেহ’লে তাৰ ফল কিমান মাৰাত্মক হ’ব সেয়া দেশখনে কল্পনাও কৰিব নোৱাৰে।

# মঠঘৰীয়াৰ দুৰ্ঘটনাৰ মূল অভিযুক্ত চামিম আহমেদৰ জামিন লাভ




ৰঙিলী বাৰ্ত্তাসেৱা- ২৬ এপ্ৰিলৰ পুৱতিনিশা মঠঘৰীয়াত সংঘটিত হৈছিল এক ভয়ানক দুৰ্ঘটনা। মহানগৰীৰ অভিজাত বাৰত ১৯ হাজাৰ টকাৰ সুৰাপান কৰি তিনি বান্ধৱীৰ সৈতে নিশা তীব্ৰ বেগেৰে ঘৰলৈ ৰাওনা হোৱাৰ সময়তে মঠঘৰীয়াত এখন ৰৈ থকা ট্ৰাকত প্ৰচণ্ড জোৰেৰে খুন্দা মাৰিছিল সুৰাৰ নিচাত মাতাল হৈ থকা চালক চামিম আহমেদে। ভয়ংকৰ দুৰ্ঘটনাটোৱে নিমিষতে প্ৰাণ কাঢ়ি নিলে গাড়ীখনৰ তিনি আৰোহী ক্ৰমে আকাংক্ষা শইকীয়া, পূজা সাহা আৰু আমিনা আহমেদৰ। ভয়ংকৰ দুৰ্ঘটনাটোত বাহনখন ভাঙি ধ্বংসস্তূপত পৰিণত হ’ল যদিও দেহত এটাও আঁচোৰ নপৰাকৈ প্ৰাণৰক্ষা পৰিল চালক চামিম আহমেদৰ। ঘটনাটো সংঘটিত কৰিয়েই তেজ লগা কাপোৰ-সুৰাৰ বটল মঠঘৰীয়াৰ নলাত দলিয়াই নিশাই কাপোৰ সলনি কৰি কেব বুকিং কৰি ঘটনাস্থলীৰ পৰা পলায়ন কৰিছিল চামিম আহমেদে। পৰৱৰ্তী সময়ত শ্বিলঙত আত্মগোপন কৰা চামিমক নুনমাটি আৰক্ষীয়ে ডিব্ৰুগড় আৰক্ষীৰ সহযোগত লাহোৱালৰ পৰা গ্ৰেপ্তাৰ কৰি তদন্তও চলালে। কেইবাদিনো ধৰি মাৰাথন জেৰা চলায়ো একো বিশেষ উদঘাটন কৰিবলৈ সক্ষম নোহোৱা মহানগৰ আৰক্ষীৰ গাফিলতিৰ বাবেই গুৱাহাটী উচ্চন্যায়ালয়ৰ পৰা অভিযুক্ত চামিম আহমেদে জামিন পাবলৈ সক্ষম হোৱাত ৰাজ্যজুৰি ব্যাপক চৰ্চা হৈছে। ঘটনাটোত তিনিগৰাকী যুৱতীৰ মৃত্যু হোৱৰ পিছতো সম্পূৰ্ণ সুস্থ শৰীৰে কিদৰে চামিম আহমেদে ওলাই আহিবলৈ সক্ষম হ’ল, তাৰ ৰহস্যই আজিলৈকে ভেদ কৰিব নোৱাৰিলে মহানগৰ আৰক্ষীয়ে। অথচ চিচি টিভি কেমেৰাত স্পষ্টকৈ দেখা গৈছিল কিদৰে নিমিষতে তীব্ৰ বেগী বাহনখনে ৰৈ থকা ট্ৰাকত খুন্দিয়াইছিল। মহানগৰ আৰক্ষীৰ দুৰ্বল স্থিতিৰ বাবেই ভয়ানক দুৰ্ঘটনা সংঘটিত কৰিও আনন্দ মনেৰে মুকলি আকাশৰ তললৈ ওলাই অহা চামিম আহমেদে এটা সুন্দৰ জীৱন যাপন কৰিব। কিন্তু দুৰ্ভগীয়া যুৱতী তিনিগৰাকীৰ পৰিয়ালে দুখৰ বাহিৰে আন একোৱেই নাপালে বুলি দুখ প্ৰকাশ কৰিছে সচেতন ৰাইজে।

# দ্বিতীয়দিনাও ৮ ঘণ্টাৰ জেৰাৰ সন্মুখীন পৱন খেড়া



ৰঙিলী বাৰ্তাসেৱা- ৰিণিকি ভূঞা শৰ্মাৰ গোচৰত কংগ্ৰেছ নেতা পৱন খেড়াৰ জেৰা অব্যাহত আছে। নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ সংবাদ মাধ্যম আৰু যোগাযোগ বিভাগৰ অধ্যক্ষ পৱন খেড়া বৃহস্পতিবাৰে একেৰাহে দ্বিতীয় দিনৰ জেৰাৰ বাবে গুৱাহাটী অপৰাধ শাখাৰ কাৰ্যালয়ত হাজিৰ হয়। প্ৰায় ৮ ঘণ্টা ধৰি পৱন খেড়াক পাণবজাৰৰ কাৰ্যালয়ত আৰক্ষীয়ে মাৰাথন জেৰা চলায়। দীৰ্ঘসময় জেৰাৰ অন্তত পৱন খেড়াক আৰক্ষীয়ে সন্ধিয়াৰ ভাগলৈ যাবলৈ দিয়ে। আৰক্ষীৰ অপৰাধ শাখাৰ কাৰ্যালয়ৰ পৰা ওলাই আহি পৱন খেড়াই সংবাদ মাধ্যমৰ আগত জনায় যে তেওঁক অহা ২৫ মে’ত পুনৰ অপৰাধ শাখাৰ কাৰ্যালয়ত উপস্থিত হ’বলৈ নিৰ্দেশ দিয়া হৈছে। সংবাদ মাধ্যমৰ আগত খেড়াই কয় যে দায়িত্বশীল নাগৰিক হিচাপে তদন্তত পূৰ্ণ সহযোগ আগবঢ়াই যাব। ২৫ মে’ত তেওঁ পুনৰ অপৰাধ শাখাৰ কাৰ্যালয়ত উপস্থিত হ’ব বুলিও জনায় খেড়াই। তদন্তৰ খাতিৰতে সংবাদ মাধ্যমৰ আগত পৱন খেড়াই আৰক্ষীৰ জেৰা সন্দৰ্ভত কোনো মন্তব্য কৰিব নিবিচাৰিলে। কেৱল আৰক্ষীক সহযোগিতা কৰা আৰু আইনৰ ওপৰতে ভৰসা কৰা বুলিহে তেওঁ সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰে। উল্লেখ্য যে অসম বিধানসভা নিৰ্বাচনৰ (দহ পৃষ্ঠাত চাওক)

# মা কামাখ্যা মন্দিৰ দৰ্শন মুখ্যমন্ত্ৰী ড° শৰ্মাৰ



ৰঙিলী বাৰ্তাসেৱা- মুখ্যমন্ত্ৰী হিচাপে দ্বিতীয়বাৰলৈ শপত লোৱাৰ পাছতেই বৃহস্পতিবাৰে ড° হিমন্ত বিশ্ব শৰ্মাই উপস্থিত হয় নীলাচল পাহাৰত অৱস্থিত মা কামাখ্যা দেৱালয়ত। কামাখ্যা দেৱীৰ আশিস বিচাৰি পূজা অৰ্চনা কৰে মুখ্যমন্ত্ৰী ড° শৰ্মাই। সামাজিক মাধ্যমত কামাখ্যা মন্দিৰ দৰ্শনৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে লিখিছে-জয় মা কামাখ্যা। জগতজননী সকলো (দহ পৃষ্ঠাত চাওক)

# উত্তৰ প্ৰদেশত প্ৰকৃতিৰ কালৰূপ



ৰঙিলী বাৰ্তাসেৱা- উত্তৰ প্ৰদেশত প্ৰকৃতিৰ ৰুদ্ৰ ৰূপ। প্ৰচণ্ড বৰষুণ, ধুমুহা আৰু বজ্ৰপাতৰ ফলত কমেও ১১৭ গৰাকী লোকৰ মৃত্যু হৈছে। বুধবাৰে কেবাখনো জিলাত হোৱা এই প্ৰলয়ৰ ফলত বহুকেইটা বাসগৃহৰ ক্ষতি হোৱাৰ লগতে বহু স্থানত গছ, বিদ্যুতৰ খুঁটা আদি ভাঙি পৰে। হঠাতে মেঘাচ্ছন্ন হৈ পৰা উত্তৰ প্ৰদেশৰ আকাশত মাৰণ ঘূৰ্ণীয়ে প্ৰাণহানিৰ সমান্তৰালভাৱে ৩০খন জিলাক কাৰ্যতঃ ধ্বংসস্তূপত পৰিণত কৰে। ঘণ্টাত ৬০-৭০ কিলোমিটাৰ বেগত অহা ধুমুহা-শিলাবৃষ্টি-বজ্ৰপাতে এফালৰ পৰা তচনচ কৰি যায় ঘৰ-দুৱাৰ-ব্যৱসায়িক প্ৰতিষ্ঠানকে ধৰি বিভিন্ন আৱাসস্থল। এই ধুমুহা-বৰষুণৰ ফলত যোৱা ২৪ ঘণ্টাত সমগ্ৰ ৰাজ্যখনতে শতাধিক লোকৰ মৃত্যু হোৱাৰ বাতৰি পোৱা গৈছে। মৃতকৰ সংখ্যা আৰু বাঢ়িব পাৰে বুলি আশংকা কৰা হৈছে। আহত হৈ চিকিৎসালয়ত চিকিৎসাধীন হৈ আছে দুই শতাধিক। বিভিন্ন এলেকাত ভাগি পৰিছে গছ-গছনি। ফলত ব্যাহত হৈ পৰিছে যান-বাহনৰ চলাচল। কেৱল সেয়াই নহয়, ধুমুহাৰ তাণ্ডৱত ক্ষতিগ্ৰস্ত হৈছে বহু ঘৰ-বাৰী, ছিগি পৰিছে বিদ্যুতৰ তাঁৰ। যুদ্ধকালীন তৎপৰতাৰে আৰম্ভ হৈছে উদ্ধাৰ কাৰ্য। বুধবাৰে বিয়লিৰ পৰা উত্তৰ প্ৰদেশৰ বিভিন্ন জিলাত আৰম্ভ হয় ধুমুহা-বৰষুণ। কিছু সময়ৰ ভিতৰতে সি ভয়ংকৰ ৰূপ ধাৰণ কৰে। ওৰেনিশা এই দুৰ্যোগ অব্যাহত থাকে। প্ৰশাসনৰ সূত্ৰৰ খবৰ মতে, এই ধুমুহা-বৰষুণৰ ফলত আটাইতকৈ বেছি ক্ষতিগ্ৰস্ত হৈছে প্ৰয়াগৰাজ, প্ৰতাপগঞ্জ, ভদোহী, ফাটেহপুৰ, উন্নাও, কাণপুৰ গ্ৰাম্য, চণ্ডৌলী, সোণভদ্ৰ আৰু বদায়ু জিলাত। মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে জিলা প্ৰশাসনসমূহক জৰুৰীকালীনভাৱে (দহ পৃষ্ঠাত চাওক)

# ভিডি সতীশন হ’ব কেৰালামত নতুন মুখ্যমন্ত্ৰী



ৰঙিলী বাৰ্তাসেৱা- সকলো জল্পনা-কল্পনাৰ অন্ত পেলাই বৃহস্পতিবাৰে কংগ্ৰেছে দলৰ জ্যেষ্ঠ নেতা ভিডি সতীশনক কেৰালাৰ মুখ্যমন্ত্ৰী হিচাপে ঘোষণা কৰে। বিধানসভা নিৰ্বাচনৰ ফলাফলৰ ১১ দিনৰ অন্তত কংগ্ৰেছে আনুষ্ঠানিকভাৱে বিৰোধী দলৰ নেতা ভিডি সতীশনক কংগ্ৰেছ বিধায়িনী দলৰ নেতা হিচাপে ঘোষণা কৰে। তেওঁ এৰ্ণাকুলাম জিলাৰ নৰ্থ পাৰাভুৰ সমষ্টিৰ পৰা জয়ী হৈছে। বৃহস্পতিবাৰে আনুষ্ঠানিকভাৱে এই ঘোষণা কৰিলে কেৰালাম কংগ্ৰেছৰ দায়িত্বপ্ৰাপ্ত নেত্ৰী দীপা দাসমুন্সীয়ে। বিগত ৫ বছৰত ইউডিএফক এক আকৰ্ষণীয় বিজয়ৰ দিশত আগুৱাই লৈ যোৱা সতীশনে অহা ৫ বছৰলৈ ৰাজ্যখনক নেতৃত্ব দিব। দিনৰ ৰচ বজাত এআইচিচিৰ মুখ্য কাৰ্যালয়ত অনুষ্ঠিত সংবাদমেলৰ সময়ত কংগ্ৰেছৰ শীৰ্ষ নেতৃত্বই এই কথা (দহ পৃষ্ঠাত চাওক)

# ডিব্ৰুগড়ত “সাহিত্য সন্ধিৎসা” গ্ৰন্থ উন্মোচন



ৰঙিলী বাৰ্তাসেৱা- ‘অসমীয়া মানুহৰ কাৰণে চিন্তা কৰা, অসমীয়া ভাষাত বিভিন্ন বিষয়ৰ কিতাপ লিখা লোকসকলে সম্প্ৰতি এটা প্ৰশ্নৰ মুখামুখি হৈছে, অসমীয়া কিতাপ পঢ়িব কোনে? দিনে দিনে নিজকে ক্ষয়ৰ দিশত আগ বঢ়াই নি থকা অসমীয়া জাতিটো আৰু কিমান বছৰলৈ থাকিবগৈ?’ এই সন্দেহ ব্যক্ত কৰে বিশিষ্ট সাহিত্যিক, লেখক ড° শশীকান্ত শইকীয়াই। ডিব্ৰুগড়ৰ বাগে শ্ৰী কলা মন্দিৰত অনুষ্ঠিত লেখক- অধ্যাপক ড° মৃদুল শৰ্মাৰ নৱতম গ্ৰন্থ ‘সাহিত্য সন্ধিৎসা’ উন্মোচনী অনুষ্ঠানত বিশিষ্ট নিবন্ধকাৰ, ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ স্বায়ত্তশাসিত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই এই মন্তব্য কৰে। অতি অন্তৰঙ্গ তথা অনুষ্ঠুপীয়া অনুষ্ঠানটোত গ্ৰন্থখন উন্মোচন কৰে ছল্ট ব্ৰুক একাদেমিৰ প্ৰবক্তা মৌচুম বৰুৱাই। তেখেতে লেখক ড° মৃদুল শৰ্মাৰ দায়িত্ববোধ, পৰ্যবেক্ষণশীলতা আৰু ভাষাৰ ওপৰত থকা দখলৰ বিষয়ে উল্লেখ কৰি তেখেতৰ প্ৰয়াত পিতৃ অধ্যাপক ড° প্ৰহ্লাদ কুমাৰ বৰুৱাৰ সৈতে ড° শৰ্মাৰ সম্পৰ্কৰ বিষয়েও স্মৃতিচাৰণ কৰে। কবি বৈদ্য ব্ৰাইট বুঢ়াগোহাঁয়ে আঁত ধৰা অনুষ্ঠানটোত প্ৰথমে সদ্যপ্ৰয়াত কবি জোনমণি দাসৰ স্মৃতিচাৰণ কৰি শ্ৰদ্ধাঞ্জলি তৰ্পণ কৰা হয়। পূৰ্বাশা বৰাৰ শাস্ত্ৰীয় নৃত্যৰে আৰম্ভ হোৱা অনুষ্ঠানত অংশগ্ৰহণ কৰে ক্ৰমে ডিব্ৰুগড়ৰ জ্যেষ্ঠ অধিবক্তা অৰূপ কুমাৰ ফুকন, বিশিষ্ট সঙ্গীত শিল্পী কল্পনা ভাগৱতী ভট্টাচাৰ্য, চিত্ৰশিল্পী-ভাস্কৰ দেৱকৃষ্ণ বৰুৱা, কবি বৈদ্য ব্ৰাইট বুঢ়াগোহাঁই, নৃত্যশিল্পী মিনাক্ষী গগৈ, শিৱসাগৰৰ স্পেকট্ৰাম প্ৰকাশনৰ স্বত্বাধিকাৰী কৌশিক বৰদলৈ আৰু মনজিৎ বৰদলৈ আদি গণ্য-মান্য লোকসকল উপস্থিত থাকে। অনুষ্ঠানত কবিতা আবৃত্তি কৰে ক্ৰমে ডলী বুঢ়াগোহাঁই আৰু স্বৰ্ণালীম শইকীয়াই আৰু এটি গীত পৰিৱেশন কৰে স্মৃতিৰেখা দেৱীয়ে। প্ৰকাশক বন্দনা কেশিক বৰদলৈয়ে নিজকে কিতাপ পঢ়ি ভাল পোৱা (পাঁচ পৃষ্ঠাত চাওক)

# দেশত বৃদ্ধি পালে পেট্ৰ’ল

প্ৰতি লিটাৰ ডিজেলৰ দাম বৃদ্ধি হৈ ৯২.৫০ টকালৈ বৃদ্ধি হয়। ডিজেলৰ প্ৰতি লিটাৰত ৩.১১ টকা বৃদ্ধি হয়। ইয়াৰ বিপৰীতে অন্যান্য সৰু-ডাঙৰ চহৰকে ধৰি সমগ্ৰ দেশতে পেট্ৰ’লৰ মূল্যই শতকৰ ঘৰ অতিক্ৰম কৰে। কলকাতা চহৰত প্ৰতি লিটাৰ পেট্ৰ’লৰ দাম ৩.২৯ টকা বৃদ্ধি হৈ প্ৰতি লিটাৰৰ খুচুৰা মূল্য হয়গৈ ১০৮.৭৪ টকা। প্ৰতি লিটাৰ ডিজেলৰ মূল্য ৩.১১ টকা বৃদ্ধি হৈ প্ৰতি লিটাৰত ৯৫.১৩ টকা হৈছে। মুম্বাইত পেট্ৰ’লৰ মূল্য ৩.১৪ টকা বৃদ্ধি পাই ১০৬.৬৮ টকা হোৱাৰ বিপৰীতে ডিজেলৰ মূল্য ৩.১১ টকা বৃদ্ধি হোৱাৰ ফলত প্ৰতি লিটাৰত ৯৩.১৪ টকা হৈছেগৈ। সেইদৰে চেন্নাইত পেট্ৰ’লৰ মূল্যই ১০০ টকা অতিক্ৰম কৰিছে। ৰাজ্যখনত প্ৰতি লিটাৰ পেট্ৰ’লৰ মূল্য ২.৮৩ টকা বৃদ্ধি হৈ ১০৩.৬৭ টকা হৈছেগৈ। ৰাজ্যখনত ডিজেলৰ মূল্য ২.৬৮ টকা বৃদ্ধি পাই ৯৫.২৫ টকা হয়গৈ। কেৱল পেট্ৰ’ল-ডিজেলৰেই নহয়, চিএনজিৰ দামো বৃদ্ধি হৈছে। দিল্লীত বৃহস্পতিবাৰ পৰ্যন্ত প্ৰতি কেজি চিএনজিৰ দাম আছিল ৮৫ টকা। আজিৰ তাৰিখত চিএনজিৰ দাম হ’ল ৮৭ টকা। স্মৰ্তব্য যে দেশৰ ৫খন ৰাজ্যৰ বিধানসভা নিৰ্বাচনৰ পিছতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ জনতাক ইন্ধনৰ ব্যৱহাৰ হ্ৰাস কৰিবলৈ আহ্বান জনাইছিল। পশ্চিম এছিয়াত হোৱা যুদ্ধ আৰু যোগান ব্যৱস্থাত জন্মা ব্যাঘাতৰ বাবেই বিশ্বব্যাপী সৃষ্টি হোৱা অৰ্থনৈতিক চাপৰ সৈতে মোকাবিলা কৰাৰ ক্ষেত্ৰত সহায় কৰিবলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পেট্ৰ’ল-ডিজেল, ৰন্ধন গেছ, খোৱা তেল, সোণ, তাম, ৰাসায়নিক সাৰ আদিৰ ক্ষেত্ৰত ব্যৱহাৰ বিতব্যয়ী হ’বলৈ আহ্বান জনাইছিল।

# উচ্চ ন্যায়ালয়ত নহ’ল শ্যামকানুৰ জামিন আবেদনৰ শুনানি




ৰঙিলী বাৰ্ত্তাসেৱা- জুবিন গাৰ্গৰ হত্যাৰ গোচৰত জামিন বিচাৰি অভিযুক্ত শ্যামকানু মহন্তই গুৱাহাটী উচ্চ ন্যায়ালয়ত দাখিল কৰা আবেদনৰ শুনানি গ্ৰহণ নকৰিলে ন্যায়াধীশ পাৰ্থিৱজ্যোতি শইকীয়াৰ বিচাৰপীঠে। বুধবাৰে শ্যামকানু মহন্তৰ অধিবক্তাই তেওঁৰ জামিন বিচাৰি যোৱা ৭ মে’ত ১২২১/২৬ নম্বৰৰ আবেদনখনৰ শুনানি আছিল যদিও ন্যায়াধীশ পাৰ্থিৱজ্যোতি শইকীয়াই আবেদনখনৰ শুনানি গ্ৰহণ কৰিবলৈ ইচ্ছা নকৰিলে আৰু শ্যামকানু মহন্তৰ অধিবক্তাক বেলেগ বিচাৰপীঠত গোচৰটো পঞ্জীয়ন কৰিবলৈ আহ্বান জনায়। এই কথা নিশ্চিত কৰিছে জুবিন গাৰ্গৰ হত্যা গোচৰৰ লোক অধিবক্তা জিয়াউল কামাৰে। সংবাদ মাধ্যমৰ আগত লোক অধিবক্তা জিয়াউল কামাৰে কয় যে ন্যায়াধীশ প্ৰাৰ্থিৱজ্যোতি শইকীয়াৰ আদালতত শ্যামকানু মহন্তৰ জামিন আবেদনৰ শুনানিৰ ( নপৃষ্ঠাত চাওক)

# ড° হিমন্ত বিশ্ব শৰ্মা মন্ত্ৰীসভাৰ ৪ মন্ত্ৰীক দপ্তৰ বিতৰণ



ৰঙিলী বাৰ্ত্তাসেৱা- মঙলবাৰে ঐতিহাসিক ক্ষণত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাসহ অজন্তা নেওগ, চৰণ বড়ো, অতুল বৰা আৰু ৰামেশ্বৰ তেলীয়ে শপতবাক্য পাঠ কৰিলে । ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই শপতবাক্য পাঠ কৰোৱাৰ পাছতে বৃহস্পতিবাৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা মন্ত্ৰীসভাৰ দপ্তৰ বিতৰণ কৰা হয় । শপতগ্ৰহণৰ পাছত নৱনিযুক্ত ৪ মন্ত্ৰীৰ মাজত দপ্তৰ বিতৰণত প্ৰয়োজনীয় অনুমোদন জনায় ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই। সেই অনুসৰি মন্ত্ৰী ৰামেশ্বৰ তেলীক ৰূপান্তৰ আৰু উন্নয়ন, শ্ৰমিক কল্যাণ, চাহ জনগোষ্ঠী আৰু আদিবাসী কল্যাণ বিভাগৰ দায়িত্ব দিয়া হৈছে। মন্ত্ৰী অতুল বৰাই চম্ভালিব পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, আবকাৰী, অসম চুক্তি ৰূপায়ণ, সীমান্ত সুৰক্ষা আৰু উন্নয়ন বিভাগ। মন্ত্ৰী চৰণ বড়োক দিয়া হৈছে পৰিবহণ আৰু বড়োলেণ্ড কল্যাণ বিভাগৰ দায়িত্ব। পৰ্যটন, মহিলা আৰু শিশু বিকাশ বিভাগৰ মন্ত্ৰী অজন্তা নেওগৰ হাতত ন্যস্ত কৰা হৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ( নপৃষ্ঠাত চাওক)

# ৬ মাহলৈ কোনো গাড়ী ক্ৰয় নকৰে ৰাজ্য চৰকাৰে



ৰঙিলী বাৰ্ত্তাসেৱা- প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জনোৱা আহ্বানৰ প্ৰতি ৰাজ্যিক কেবিনেটে সঁহাৰি জনাইছে। বুধবাৰে কইনাধৰাস্থিত ১নং ৰাজ্যিক অতিথিশালাত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্বা শৰ্মাৰ অধ্যক্ষতাত অনুষ্ঠিত প্ৰথমখন কেবিনেট বৈঠকত প্ৰধানমন্ত্ৰীৰ এই আহ্বানৰ প্ৰতি সঁহাৰি জনাই কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। সেই অনুসৰি ৰাজ্য চৰকাৰে পূৰ্বতকৈ ২০ শতাংশ কম পেট্ৰ’ল-ডিজেল ক্ৰয় কৰাৰ সিদ্ধান্ত লয়। তদুপৰি ( নপৃষ্ঠাত চাওক)

# বিধানসভা অধিৱেশনত উত্থাপন হ’ব ইউচিচি বিধেয়ক



ৰঙিলী বাৰ্ত্তাসেৱা- মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ দ্বিতীয়টো কাৰ্যকালৰ প্ৰথমখন কেবিনেট বৈঠক বুধবাৰে অনুষ্ঠিত হয় । কইনাধৰাস্থিত ১নং ৰাজ্যিক অতিথিশালাত মুখ্যমন্ত্ৰী ড° শৰ্মাৰ অধ্যক্ষতাত অনুষ্ঠিত প্ৰথমখন কেবিনেট বৈঠকত কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰে চৰকাৰে। নিৰনুৱা নিযুক্তি, ইউচিচিৰ লগতে কেইবাটাও বিষয়ত কেবিনেটে সিদ্ধান্ত গ্ৰহণ কৰিছে বুলি উল্লেখ কৰে মুখ্যমন্ত্ৰী ড° শৰ্মাই। কেবিনেট বৈঠকৰ পাছত মুখ্যমন্ত্ৰী শৰ্মাই সংবাদমেল সম্বোধন কৰি কয়, অহা ২৬ মে’ত বিধানসভা অধিৱেশনৰ শেষৰ দিনটোত এই বিধেয়কখন সদনত উত্থাপন কৰিবলৈ সিদ্ধান্ত লোৱা হৈছে। কেবিনেটে ইউচিচিৰ যি খচৰাত অনুমোদন দিলে, সেই অনুসৰি ইউচিচিৰ আওতাৰ পৰা অনুসূচিত জনজাতি (পাৰ্বত্য) আৰু অনুসূচিত জনজাতি (ভৈয়াম)ৰ লোকসকলক বাহিৰত ৰখা হ’ব। তদুপৰি এই ইউচিচিৰ পৰা সকলোধৰ্ণৰ ধৰ্মীয় ৰীতি-নীতি, পৰম্পৰা-আচাৰ-অনুষ্ঠানকো বাহিৰত ৰখা হৈছে। উল্লেখ্য যে বিধানসভা নিৰ্বাচনৰ পূৰ্বেই ৰাজ্যত ইউচিচি প্ৰৱৰ্তন কৰা হ’ব বুলি মুখ্যমন্ত্ৰী ড° শৰ্মাই ঘোষণা কৰিছিল। উক্ত ঘোষণা অনুসৰিয়েই নতুন চৰকাৰৰ প্ৰথমখন কেবিনেট বৈঠকতে ইউচিচি প্ৰৱৰ্তনৰ সিদ্ধান্ত গ্ৰহণ কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই এই প্ৰসংগত কয়-ইউচিচিক লৈ বহুতে প্ৰশ্ন কৰিব পাৰে যে ইউচিচি অনুসৰি পূজা হ’ব নেকি? নাম-প্ৰসংগ হ’ব নেকি? এই ধৰণৰ প্ৰশ্নবোৰ যাতে উত্থাপন নহয় তাৰ বাবে ইউচিচিৰ পৰা ধৰ্মীয় পৰম্পৰাক সম্পূৰ্ণৰূপে বাদ দিয়া হৈছে। অৰ্থাৎ কোনে কিদৰে ধৰ্ম পালন কৰিব, তাৰ কোনো নিৰ্দেশনা ( নপৃষ্ঠাত চাওক)

# ডিব্ৰুগড়ত সাহিত্য

ব্যক্তি হিচাপে পৰিচয় দি তেওঁ এই গ্ৰন্থখন অসমীয়া সমালোচনাৰ জগতত এখন বিশেষ গ্ৰন্থ হিচাপে পৰিচিত হ’ব বুলি আশা প্ৰকাশ কৰে। গ্ৰন্থৰ লেখক ড° মৃদুল শৰ্মাই কয় যে তেওঁৰ প্ৰথমখন কিতাপৰ নাম পৰিকল্পনা কৰা হৈছিল ‘সাহিত্য সন্ধিৎসা’ ৰূপে যিখন কিতাপৰ বাবে পাতনি এখন লিখি দিছিল তেওঁৰ শ্ৰদ্ধেয় শিক্ষাগুৰু ডক্তৰ প্ৰহ্লাদ কুমাৰ বৰুৱাই। কিন্তু দুৰ্ভাগ্যবশতঃ কিতাপখন নোলালগৈ। তাৰ পাছত ইতিমধ্যে কুৰিখনৰো অধিক কিতাপ প্ৰকাশ হ’ল যদিও কোনো কিতাপতে কাৰো হতুৱাই পাতনি লিখোৱাৰ কথা তেওঁ ভাবিব নোৱৰা হ’ল। ‘সাহিত্য সন্ধিৎসা’ উৎসৰ্গা কৰা হৈছে প্ৰয়াত ড° প্ৰ াদ কুমাৰ বৰুৱাৰ স্মৃতিত। অনুষ্ঠানত ড° প্ৰহ্লাদ কুমাৰ বৰুৱাৰ ব্যক্তিত্বৰ বিভিন্ন দিশৰ ওপৰত একাধিক বক্তাই বক্তব্য ৰাখে। প্ৰকাশকৰ পক্ষৰ পৰা ‘সাহিত্য সন্ধিৎসা’ ৰসগ্ৰাহীসকলে আদৰি ল’ব বুলি গভীৰ প্ৰত্যয়েৰে আশা ব্যক্ত কৰে। ২০০৫ চনৰ পৰা বাগে শ্ৰী কলা মন্দিৰে শিশু আৰু কিশোৰৰ ব্যক্তিত্ব আৰু প্ৰতিভাৰ স্বাভাৱিক বিকাশৰ অৰ্থে কৰি অহা কাম-কাজৰ কিছু আভাস দাঙি ধৰি অধ্যক্ষা স্মৃতিৰেখা দেৱীয়ে প্ৰকাশ কৰে যে এই বছৰৰ পৰাই অধিক পৰিকল্পিত আৰু গতিশীল ৰূপত শিশুসকলক লৈ বহু নতুন নতুন কাৰ্যসূচী ৰূপায়ন কৰিব বুলি উল্লেখ কৰে।

# অহা ৫ বছৰত ৰাজ্যত ২ লাখ যুৱক-যুৱতীক প্ৰদান কৰা হ’ব চৰকাৰী চাকৰি



ৰঙিলী বাৰ্ত্তাসেৱা-সদ্যসমাপ্ত বিধানসভা নিৰ্বাচনত ঐতিহাসিক বিজয় সাব্যস্ত কৰাৰ পিছত মঙলবাৰে তৃতীয়খন এনডিএ চৰকাৰৰ শপতগ্ৰহণ কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত নতুন ৰাজ্য চৰকাৰে কাম-কাজ আৰম্ভ কৰে। মঙলবাৰে শপতগ্ৰহণেৰে চৰকাৰৰ দায়িত্ব লোৱাৰ পিছতে বুধবাৰে নতুন চৰকাৰখনৰ প্ৰথমখন কেবিনেট বৈঠক অনুষ্ঠিত কৰে। কইনাধৰাস্থিত ৰনং ৰাজ্যিক অতিথিশালাত মুখ্যমন্ত্ৰী ড° শৰ্মাৰ অধ্যক্ষতাত অনুষ্ঠিত প্ৰথমখন কেবিনেট বৈঠকত কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰে চৰকাৰে। নতুন চৰকাৰৰ প্ৰথমখন কেবিনেট বৈঠকত অহা ৫ বছৰৰ ভিতৰত ৰাজ্যত ৫লাখ যুৱক-যুৱতীক চৰকাৰী চাকৰিত নিযুক্তি প্ৰদানৰ নিৰ্বাচনী প্ৰতিশ্ৰুতি প্ৰদানৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। সেই অনুসৰি কেবিনেটে ৰাজ্যৰ বিভিন্ন বিভাগ আৰু ৰাজহুৱা প্ৰতিষ্ঠানত পৰ্যায়ক্ৰমে নিযুক্তিৰ লক্ষ্যৰে চলাখ চৰকাৰী পদ চিনাক্ত কৰিবলৈ মুখ্য সচিবৰ নেতৃত্বত এখন বিশেষ টাস্ক ফ’ৰ্চ গঠনৰ সিদ্ধান্ত গ্ৰহণ কৰে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই সন্দৰ্ভত সংবাদ মাধ্যমৰ আগত কয়- কেবিনেটে ২ লাখ চৰকাৰী চাকৰি কিধৰণে, ( নপৃষ্ঠাত চাওক)

# ২১ জুনত অনুষ্ঠিত

লেখীয়া। সেইবাবে আগন্তুক দিনত যাতে প্ৰশ্নকাকত ফাদিল হোৱাৰ ঘটনা সম্পূৰ্ণৰূপে ৰোধ কৰিব পৰা যায়, তাৰ বাবে নীটৰ পৰীক্ষা পদ্ধতি সম্পূৰ্ণৰূপে সলনি কৰা হ’ব। চলিত বছৰত এই পৰীক্ষা কাগজে-কলমে হ’ব। অ’এমআৰ শ্বীটত পৰীক্ষা দিব লাগে পৰীক্ষাৰ্থীসকলে। অহা ২১ জুনত অনুষ্ঠিত হ’বলগীয়া নীট পৰীক্ষাও এই পদ্ধতিৰে অনুষ্ঠিত হ’ব। কিন্তু অহা বছৰৰ পৰা এই পৰীক্ষা সম্পূৰ্ণৰূপে ডিজিটেল হৈ যাব। কম্পিউটাৰত পৰীক্ষা দিব পঢ়ুৱৈসকলে। অনলাইন পৰীক্ষা কেন্দ্ৰলৈ গৈ তেওঁলোকে পৰীক্ষা দিব লাগিব।’

# শ্ৰীমন্ত শংকৰদেৱ আৰু মহাপুৰুষ মাধৱদেৱ



শ্ৰী মন্ত শঙ্কৰ হৰি ভকতৰ
জানা যেন কল্পতৰু ।
তাহান্ত বিনাই নাহি নাহি
আমাৰ পৰম গুৰু ।

মহাপুৰুষ মাধৱদেৱ শ্ৰীমন্ত শংকৰদেৱৰ পৰম শিষ্য আছিল। মাধৱদেৱে প্ৰথমতে পূজা পাতল কৰিছিল কিন্তু এটি ঘটনাৰ পৰা শ্ৰীমন্ত শঙ্কৰদেৱৰ লগত মণিকাঞ্চন সংযোগ হোৱাৰ পিছত এক শৰণ বৈষ্ণৱ ধৰ্ম গ্ৰহণ কৰিছিল। এয়া সম্ভৱ হৈ মহাপুৰুষ মাধৱদেৱৰ ভনী জোৱাই ৰাম দাস আতৈৰ যোগেদি। ঘটনাটো এনে ধৰণৰ মহাপুৰুষ মাধৱদেৱ শাক্ত ধৰ্মত বিশ্বাসী এবাৰ মাক টান নৰিয়াত পৰিল বহুত বেজ ওজা লগোৱাৰ পিছত সুফল নাপালে। তেতিয়া দেৱীক পঠা ছাগলী এটা দিম বুলি মনে মনে তেওঁ প্ৰতিজ্ঞা কৰিলে। কিছুদিন পিছতে মাকৰ বেমাৰ ভাল হ’ল। তেতিয়া ভনী জোঁৱাই ৰাম দাস আতৈক এটা পঠা ছাগলী আনিব দিলে কিন্তু তেওঁ নানিলে। ইয়াৰ কাৰণ হ’ল শ্ৰীমন্ত শঙ্কৰদেৱৰ ধৰ্ম প্ৰচাৰ পূজা পাতলৰ বিৰোধী এটা জীৱ বধ কৰি আন জীৱ কেতিয়াও সুখী হ’ব নোৱাৰে বুলি ৰাম দাস আতৈ ক’লে। এইবোৰ শুনি মহাপুৰুষ মাধৱদেৱৰ খং উঠি ক’লে, কোন এই শঙ্কৰদেৱ? যি দেৱী মাক অৱজ্ঞা কৰে তেওঁক এবাৰ পৰীক্ষা কৰি চাব লাগিব ।তাৰ পিছত শ্ৰীমন্ত শংকৰদেৱক সাক্ষাত কৰিলে আৰু মহাপুৰুষ মাধৱদেৱ আৰু শ্ৰীমন্ত শঙ্কৰদেৱৰ শাস্ত্ৰৰ ওপৰত এখন বাকযুদ্ধ হয়। শ্ৰীমন্ত শংকৰদেৱে ভাগৱত বেদ শ্লোক আদি সকলো যুক্তি দি থাকিল মহাপুৰুষ মাধৱদেৱেও নিজৰ যুক্তি আগবঢ়ালে শেষত মহাপুৰুষ মাধৱ দেৱ পৰাভূত হ’ল আৰু শ্ৰীমন্ত শঙ্কৰদেৱৰ শৰণ ল’লে।

**অনামিকা (সংগীতা)কলিতা, গুৱালকুছি**


তেতিয়াৰ পৰাই সমাজৰ কু-সংস্কাৰবোৰ নাশ কৰিবলৈ গুৰু দুজনাই চেষ্টা কৰিছিল। যাৰ কাৰণে সমাজ সংস্কাৰক গুৰুজনাই সত্ৰ/নামঘৰ আৰু বৰগীত আদি অনেক অৱদান আগবঢ়াই থৈ গৈছে ।

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰ দেৱে ধৰ্মৰ চাৰিখুঁটি মাৰি ভাগৱত ধৰ্মৰ পাতনি মেলিছিল। এই ভাগৱত ধৰ্মৰ প্ৰৱৰ্তনৰ খাতিৰত চাৰিহাটি, দৌলগৃহ, মণিকূট, কীৰ্তন ঘৰ আদিত ভক্তগণ আদি সমাহাৰে জ্ঞানৰ আলোক বিতৰণ কৰিছিল, যাক আমি নামঘৰ বুলি কওঁ ।ইয়াত মহাপুৰুষ মাধৱ দেৱৰো অৱদান আছে।

এই নামঘৰ বা কীৰ্তন ঘৰত হৰিৰ -কথা চৰ্চাৰ প্ৰসংগ। য’ত গুৰু, দেৱ, নাম, ভকত এই চাৰি বস্তু। ১৫৮৩ খ্ৰীষ্টাব্দত মহাপুৰুষ মাধৱদেৱে বৰপেটা সত্ৰ স্থাপন কৰে। তিনি প্ৰসঙ্গৰ পৰিবৰ্তে চৈধ্য প্ৰসঙ্গ, গীত মাত ঘোষা আদি পৰিবেশন কৰে।

বৰপেটা, কমলাবাৰী, গুৱালকুছি হাটী সত্ৰ আদি শ্ৰীমন্ত শঙ্কৰদেৱৰ শিষ্য সকলে স্থাপন কৰি, খোল -বাদ্য, তাল বাজানা পৰম্পৰাগত ভাৱে পৰিৱেশিত হৈ আহিছে। (আঠপৃষ্ঠাত চাওক)

# এটা বৃত্তিৰ কাহিনী



**ৰিমী হাজৰিকা, মাজুলী**

ব’হাগৰ আজি শেষৰ দিন । নৈ কাষৰ ফিৰ্ ফিৰিয়া বতাহ, পাৰত বহি আকাশ পাতাল ভাবি আছে মায়াই। মায়া বৰ্তমান স্নাতক ডিগ্ৰীৰ ষষ্ঠ যান্মাসিকৰ ছাত্ৰী। উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষত সুখ্যাতিৰে উত্তীৰ্ণ হৈ ওচৰৰে মহাবিদ্যালয়ত নামভৰ্তি কৰিছিল তাই। উচ্চ শিক্ষাৰ বাবে ডিব্ৰুগড় বিশ্ববিদ্যালয়ত অধ্যয়ন কৰাৰ অত্যন্ত ইচ্ছা থকাৰ সত্বেও আৰ্থিক দৈন্য ৰ বাবে তাই নাম ভৰ্তি কৰিব নোৱাৰিলে। আজি মে’ মাহৰ ১৫ তাৰিখ, চূড়ান্ত বৰ্ষৰ পৰীক্ষা সমাগত। স্নাতক পাঠ্যক্ৰম শেষ হোৱাৰ পাছত তাই কোন বিভাগত নামভৰ্তি কৰিব তাক লৈ হতাশাত ভুগিছে তাই। কাৰণ “ ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ ” মায়াৰ দৰে শিক্ষাৰ্থী সকলৰ বাবে এক দোমোজাৰ বিষয়। কোন বিভাগত গ’লে কেনেদৰে আগবাঢ়ি যাব পাৰি এই বিষয়ত ছাত্ৰ ছাত্ৰী সকল অজ্ঞাত।

বহু অভিজ্ঞ শিক্ষক আৰু সচেতন ব্যক্তিয়ে বহু পৰামৰ্শ দিছে। কিন্তু তাৰ ভিতৰত কোন বিভাগত নামভৰ্তি কৰিব তাই তাক লৈ হতাশাত ভাগি পৰিছে। অৱশেষত বহু ভাবি গুণি তাই ডিব্ৰুগড় বিশ্ববিদ্যালয়ত স্নাতকোত্তৰ পাঠ্যক্ৰম ত নাম ভৰ্তি কৰাৰ সিদ্ধান্ত ললে, যদিও আৰ্থিক দূৰৱস্থাৰ কথা চিন্তা কৰিছিল তথাপিও তাই দৃঢ় বিশ্বাস যে তাই সুখ্যাতিৰে উত্তীৰ্ণ হৈ বৃত্তি লাভ কৰিব আৰু সেই বৃত্তিৰে অধ্যয়ন কৰি নিজকে তাই প্ৰতিষ্ঠা কৰিব পাৰিব। বেলি লহিয়াবৰ সময় হ’ল, ফৰকাল মনেৰে মায়াই ও ঘৰমুৱা হ’ল। ঘৰলৈ গৈ থাকোঁতে মায়াই ভাবিলে একান্ত ইচ্ছা থাকিলে আৰ্থিক দৈন্য শিক্ষাৰ ক্ষেত্ৰত কেতিয়াও বাধা হ’ব নোৱাৰে।

# অহংকাৰৰ মৰীচিকা

**শৈলেন কুমাৰ, মিৰ্জা**



এমুঠিমান গুৰুত্ব পালেই আকাশ চুব খোজা মানুহ তুমি,
বুকুত তোমাৰ আত্মগৌৰৱৰ বিষাক্ত এন্ধাৰ,
নিজকে সৰ্বস্ব বুলি ভাবি কিমাননো সাজিবা ওখ দেৱাল?
মনত ৰাখিবা- এই পৃথিৱীত সকলোৱে মাথোঁ ক্ষন্তেকীয়া আলহী।
প্ৰশংসাৰ তৈলমৰ্দনত ইমানো বিলীন হৈ নাযাবা,
যাতে এদিন নিজৰ অস্তিত্বৰ ঠিকনা বিচাৰি হাবাথুৰি খাব লাগে,
কি ৰজা আৰু কি প্ৰজা-
যমৰ দুৱাৰত সকলোৰে নাম একে,
ভেলকীবাজীৰ এই মুখাবোৰ এদিন অজানিতেই খহি পৰে।
সময় যে বৰ নিষ্ঠুৰ,
কাৰো পক্ষত সি কোনোদিন নাথাকে,
কাঞ্চনজংঘাৰ সমান গৰ্বও সময়ৰ সোঁতত ধূলি হয়,
সিংহাসনৰ মোহ ত্যাগ কৰি
এদিন কালৰ বুকুত হেৰাই যায়-যি ৰজা আছিল,
তেৰোঁ শ্মশানৰ চণ্ডাল হৈ মৌনতাৰ মালা পিন্ধিব লয়।
অহংকাৰক বিসৰ্জন দি নিজৰ আত্মাক চিনি পোৱা,
অস্তিত্বহীন পৰিচয়ৰ ভিৰত হেৰাই নাযাবা মানুহ,
শেষ নিশাৰ যাত্ৰাত কোনো নাথাকে কাষত,
মাথোঁ ৰৈ যায় নিস্বাৰ্থ মৰম আৰু অলপমান মানৱতাৰ সুবাস।

# অনুভৱ অনুৰণন



**অনন্ত কুমাৰ ভূঞা**

প্ৰেম মানে কি জানা?
এযাৰ অনুভৱী মাত
এটি চাৱনিত জোনাক নমা
এটি শব্দত হৃদয় কঁপা।
প্ৰেম মানে
চাহৰ কাপত উতলা সপোন
বৰষুণৰ টোপালে লিখা চিঠি
নীৰৱে কাষত বহি থকা
একো নোকোৱাকৈ বুজি পোৱা।
প্ৰেম মানে
এটি এটি সৰল স্বৰধ্বনি
ভিক্ষা নহয় প্ৰতীক্ষা মাথোন
বিসম্বাদৰ খহনীয়া
জলাহ ভূমিৰ শ্বেতপদ্মৰ পাহি ।
প্ৰেম মানে অপেক্ষা
প্ৰেম মানে বিশ্বাস
সপোনৰ মশ্ৰিণ মজিয়া
এটি মন আনটো মনক দিয়া
এক নীৰৱ আশ্বাস
গভীৰ বিশ্বাস ।

# NEET Paper Leak: A National Crisis Destroying the Dreams of Honest Students




**Heramba Nath**

The controversy surrounding the alleged leak of the NEET examination paper has deeply shocked the entire nation. What should have been a moment of hope and achievement for lakhs of students has instead turned into a source of anxiety, anger and disappointment. Across India, students and parents are asking painful questions about fairness, transparency and the future of the country's education system. For millions of families, NEET is not just an entrance examination; it is the foundation upon which dreams, sacrifices and years of hard work are built. Therefore, any allegation of irregularities in such an important examination naturally creates a massive emotional and social crisis.

The National Eligibility cum Entrance Test, commonly known as NEET, is one of the most competitive examinations in India. Every year, lakhs of students appear for the examination with the dream of securing admission into medical colleges and becoming doctors. The preparation process is extremely demanding. Students spend years studying biology, chemistry and physics with intense dedication. Many sacrifice sleep, leisure and social life in pursuit of success. Parents too make enormous sacrifices by investing their savings in coaching institutes, books, hostel fees and educational materials. In many families, especially those from rural and economically weaker backgrounds, a child's success in NEET is viewed as a pathway towards financial stability, dignity and social progress.

When allegations of paper leaks emerge, the emotional impact becomes devastating. Honest students who studied sincerely begin to feel cheated and helpless. They wonder whether merit still matters in a system where corruption and malpractice can influence outcomes. The feeling of injustice becomes unbearable for many students who spent years preparing honestly. Some candidates suffer from severe stress, depression and anxiety after hearing such news. The confidence of young people in the education system gets shaken badly.

The sadness and frustration of parents are equally significant. Parents trust national institutions to conduct examinations fairly and securely. They believe that hard work and merit should determine success. However, when reports of leaks and irregularities surface, parents fear that their children's future may be unfairly affected. Many families take loans or spend their life savings on education. For them, the possibility that dishonest methods could overshadow genuine talent is deeply painful.

The NEET paper leak issue also highlights broader problems within the education system.

Competitive examinations in India carry immense pressure because they determine access to prestigious careers and opportunities. The intense competition creates a dangerous environment where unethical individuals attempt to exploit loopholes for financial gain. This not only damages the credibility of examinations but also weakens public trust in institutions responsible for conducting them.

One of the most tragic aspects of such incidents is the psychological burden placed upon students. Young minds are already under enormous pressure due to academic expectations and societal competition. Examination-related stress has become a serious concern in India, with many students facing emotional breakdowns and mental health challenges. Controversies like paper leaks increase uncertainty and fear among students, making the situation even more harmful. Students begin to question whether their hard work alone is enough to secure success.

Another important issue is the growing commercialization of education. In recent years, the coaching industry surrounding examinations like NEET has expanded enormously. Many students spend years in expensive coaching institutions preparing for entrance tests. The pressure to secure high marks has transformed education into a race where emotional well-being often gets ignored. In such a highly competitive environment, even small irregularities create massive consequences for deserving candidates.

The alleged leak also raises serious questions about examination security and administrative accountability. In a digital age where technology plays a central role in education, examination authorities must adopt stronger security measures. Confidentiality, transparency and efficiency are essential for maintaining public trust. Authorities responsible for conducting examinations must ensure that question papers remain secure at every stage, from preparation to distribution. Any negligence or corruption within the system must be identified and punished strictly.

Strong legal action against those involved in examination fraud is absolutely necessary. Individuals who leak papers or manipulate examinations are not merely breaking rules; they are destroying the future of honest students. Such acts undermine meritocracy and weaken society's faith in justice and equality. Strict investigations, speedy trials and severe punishments can help discourage such crimes in the future.

However, while demanding accountability, society must also support students emotionally. Students should not lose hope because of the wrongdoing of a few dishonest people. The nation must remind its young generation that integrity, dedication and perseverance still have value. Parents, teachers and educational institutions should encourage students to stay mentally strong and focused during such uncertain times.

*Next Issue*

# বাঁহীৰ সুৰৰ দৰে বিষন্ন সময়

ৰীতা বুঢ়াগোহাঁই,তিনিচুকীয়া



সুৰ সুৰাই বতাহ এজাক
পাৰ হৈ গ'ল
বিশাল পথাৰ খনৰ
বুকুৰে বগাই
বতাহত বিয়পে ৰাতিৰ শব্দ
বুঢ়া আহতজোপাৰ বুকুত
চিৰিং কৰি গ'ল
নিঃসংগ হোৱাৰ আশংকাত
বিগত সময়বোৰ আছিল
উমাল আৰু বৰ্ণিল
ৰাতিৰ বাঁহী সুৰৰ সান্নিধ্যৰ দৰে
অনাগত দিনবোৰ ক্ৰমে
বিৰ্বণ হৈ পৰিছে
ৰাতিবোৰ অস্থিৰ উদভ্ৰান্ত
সময়বোৰ বিষন্ন বাঁহীৰ
সুৰৰ দৰে হতাশ এটা যেন
গভীৰ বিষাদভৰা হুমুনিয়াহ ।
মৰমৰ গভীৰতাই যেতিয়া বুকুখন চুৰে
প্ৰেমিকৰ নীৰৱ মুখৰ চাৱণিৰ দৰে
এক গভীৰ হুমুনিয়াহে কঁপনি তুলে
দিনবোৰৰ ৰং ঘুৰি নাহে
তথাপি ৰৈ থকা হয় অপেক্ষাৰে
উন্মুখ হৈ পৰা ৰাতিৰ পাছত
এটি শুভ্ৰ জোনাকৰ দিনলৈ ।
বাঁহীৰ সুৰৰ উদভ্ৰান্ত সোঁতত
দুৱাৰত খুন্দা মাৰি টোপনি ভাঙে
নৈপৰীয়া পথাৰখন
নিতাল মাৰি শুই পৰিছে
পথাৰৰ সোঁমাজত থিয়দি থকা
আঁহতজোপাই কথা পাতিব বিচাৰে
উদভ্ৰান্ত বাঁহীৰ সুৰৰ লগত
সেই সুৰে ভ্ৰূক্ষেপ নকৰি
কুঁৱলী ফালি ফালি বৈ যায়
নদীৰ পাৰলৈ
নৈত উপচি পৰা জোনাকৰ সতে খেলিবলৈ
সাপ এটাৰ দৰে মেৰিয়াই ধৰে
সিঁচৰিত জোনাক বোৰ ।

# শ্ৰীমন্ত শংকৰদেৱ

১৫/১৬ শতাব্দীত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰ দেৱে মহাপুৰুষ মাধৱ দেৱৰ সৈতে লগ-লাগি ব্ৰজাৱলী ভাষাত বৰগীত ৰচনা কৰে। ২৪০টা বৰগীত শঙ্কৰ দেৱে ৰচনা কৰিছিল, এগৰাকী ভকতে পঞ্জবি নিওঁতে জুইত পুৰি যায় ।বৰ্তমান ৩০টা সংৰক্ষিত।“কীৰ্ত্তন” ঘোষাক বেদৰ স্থান পাইছে।

১৫৭টা মহাপুৰুষ মাধৱ দেৱৰ বৰগীত ৰচনা কৰিছিল। নামঘোষা মহাপুৰুষ মাধৱদেৱৰ ৰচিত গ্ৰন্থ সমূহৰ ভিতৰত কীৰ্তিস্তম্ভ, এই নামঘোষা খনত এহেজাৰ ঘোষা থকা কাৰণে হেজাৰী ঘোষা নামে পৰিচিত।

অসমৰ সমাজ জীৱনৰ প্ৰাণ প্ৰতিষ্ঠাতা গুৰু দুজনাৰ নামঘৰ প্ৰতিষ্ঠা কৰি আৰু বৰগীত সমূহ ৰচনা কৰি যি কলা -সংস্কৃতি চৰ্চা কৰি আমাক পথ দেখুৱাই থৈ গৈছে এয়া আমাৰ সমাজৰ এক শুভ লক্ষণ।

# কলেজীয়া জীৱন

দৰ্শিতা নেওগ,
যোৰহাট



মানুহৰ জীৱনত বিভিন্ন ধৰণৰ পৰ্যায় থাকে। শৈশৱ, কৈশোৰ, বিদ্যালয় জীৱন, কলেজীয়া জীৱন আদি প্ৰতিটো সময়ৰেই নিজা বিশেষত্ব আছে। এই সকলোবোৰৰ ভিতৰত কলেজীয়া জীৱন হৈছে আটাইতকৈ মধুৰ, আনন্দময় আৰু স্মৰণীয় সময়। বিদ্যালয়ৰ নিয়ম-শৃংখলাৰ মাজৰ পৰা ওলাই আহি যেতিয়া এজন শিক্ষাৰ্থীয়ে কলেজত ভৰ্তি হয়, তেতিয়া তেওঁৰ জীৱনত এক নতুন অধ্যায়ৰ আৰম্ভণি হয়। নতুন পৰিৱেশ, নতুন শিক্ষক, নতুন বন্ধু-বান্ধৱী আৰু নতুন অভিজ্ঞতাই কলেজীয়া জীৱনক অধিক আকৰ্ষণীয় কৰি তোলে।

কলেজ হৈছে উচ্চ শিক্ষাৰ এক গুৰুত্বপূৰ্ণ স্থান।ইয়াত শিক্ষাৰ্থীয়ে নিজৰ পছন্দৰ বিষয় গভীৰভাৱে অধ্যয়ন কৰাৰ সুযোগ লাভ কৰে। বিদ্যালয়ত যেনেকৈ শিক্ষকসকলে সদায় তদাৰক কৰে, কলেজত তেনে নহয়। ইয়াত শিক্ষাৰ্থীয়ে অধিক স্বাধীনতা লাভ কৰে। এই স্বাধীনতাৰ লগে লগে নিজৰ দায়িত্ব নিজেই বুজি ল'ব লাগে। সঠিক সময়ত ক্লাছ কৰা, অধ্যয়নত মনোযোগ দিয়া আৰু জীৱনৰ লক্ষ্য নিৰ্ধাৰণ কৰাটো কলেজীয়া জীৱনৰ মূল উদ্দেশ্য।

কলেজীয়া জীৱনত কেৱল পাঠ্যপুথিৰ শিক্ষাই নহয়, বাস্তৱ জীৱনৰ বহু মূল্যৱান শিক্ষাও লাভ কৰা যায়। ইয়াত বিভিন্ন ধৰণৰ সাংস্কৃতিক অনুষ্ঠান, খেল-ধেমালি, সাহিত্য সভা, বিতৰ্ক প্ৰতিযোগিতা, বিজ্ঞান মেলা আদি অনুষ্ঠিত হয়। এইবোৰ কাৰ্যকলাপত অংশগ্ৰহণ কৰাৰ ফলত শিক্ষাৰ্থীৰ প্ৰতিভা বিকাশ ঘটে আৰু আত্মবিশ্বাস বৃদ্ধি পায়। বহু শিক্ষাৰ্থীয়ে কলেজ জীৱনতেই নিজৰ সুপ্ত প্ৰতিভা চিনাক্ত কৰিবলৈ সক্ষম হয়।

বন্ধুত্ব হৈছে কলেজীয়া জীৱনৰ এক অমূল্য সম্পদ। এই সময়ত গঢ় লৈ উঠা বন্ধুত্ব বহু সময়ত আজীৱন অটুট হৈ থাকে। বন্ধু-বান্ধৱীৰ সৈতে একেলগে ক্লাছ কৰা, পুথিভঁৰালত বহি কিতাপ পঢ়া, কেণ্টিনত আড্ডা মৰা, সাংস্কৃতিক অনুষ্ঠান উপভোগ কৰা আদি মুহূৰ্তবোৰ জীৱনৰ অন্যতম মধুৰ স্মৃতি হৈ থাকে। সুখ-দুখৰ সময়ত বন্ধু-বান্ধৱীয়ে একে লগে থিয় দিয়ে আৰু জীৱন অধিক আনন্দময় কৰি তোলে।

কলেজীয়া জীৱনে শিক্ষাৰ্থীক স্বাধীনভাৱে চিন্তা কৰিবলৈ শিকায়। ইয়াত তেওঁলোকে নিজৰ ভৱিষ্যৎ জীৱনৰ লক্ষ্য নিৰ্ধাৰণ কৰে। কোনে ডাক্তৰ, কোনে ইঞ্জিনিয়াৰ, কোনে শিক্ষক বা চৰকাৰী কৰ্মচাৰী হ'ব বিচাৰে - এই সময়তেই তাৰ প্ৰস্তুতি আৰম্ভ হয়। কলেজৰ শিক্ষকসকলে শিক্ষাৰ্থীসকলক সঠিক পথ দেখুৱাই আৰু জীৱনত সফল হ'বলৈ উৎসাহিত কৰে।

কিন্তু কলেজীয়া জীৱনৰ কিছুমান নেতিবাচক দিশো আছে। অধিক স্বাধীনতাৰ অপব্যৱহাৰ কৰিলে শিক্ষাৰ্থী বিপথে যাব পাৰে। বহু শিক্ষাৰ্থীয়ে পঢ়াশুনাত মনোযোগ নিদি অপ্ৰয়োজনীয় কামত সময় নষ্ট কৰে। মোবাইল ফোন, সামাজিক মাধ্যম আৰু বেয়া সংগৰ প্ৰভাৱেও বহু সময়ত শিক্ষাৰ্থীৰ জীৱনত সমস্যা সৃষ্টি কৰে। সেয়েহে, কলেজীয়া জীৱনত আত্মনিয়ন্ত্ৰণ আৰু সময়ৰ সঠিক ব্যৱহাৰ অতি প্ৰয়োজনীয়।

কলেজ হৈছে সমাজ জীৱনৰ এখন সৰু প্ৰতিচ্ছবি। ইয়াত বিভিন্ন (বাৰপৃষ্ঠাত চাওক)

# সহজ নহয় এই “সহজ মৃত্যু”



মৃত্যু -এটা শব্দ, যাক উচ্চাৰণ কৰাটো হয়তো সহজ, কিন্তু ইয়াৰ গভীৰতা অনুভৱ কৰাটো কেতিয়াও সহজ নহয়। পৃথিৱীৰ আটাইতকৈ চিৰন্তন সত্য হৈছে মৃত্যু। জন্ম হ'লে মৃত্যু নিশ্চিত, তথাপিও মানুহে কেতিয়াও মৃত্যুক সহজভাৱে মানি ল'ব নোৱাৰে। কাৰণ মৃত্যু কেৱল এজন মানুহৰ জীৱনৰ অন্ত নহয়, ই বহু অনুভৱ, বহু সপোন, বহু সম্পৰ্কৰো সমাপ্তি।

জ্যোতিষ্মা বৰপূজাৰী
জাঁজী জামুগুৰি, শিৱসাগৰ (নৱম শ্ৰেণী)

মৃত্যু সাধাৰণতে কোনো খবৰ নিদিয়াকৈ আহে। ই সংগোপনে আহি মানুহৰ জীৱনৰ পৰা কেতিয়াবা অতি আপোন মানুহজনক কাঢ়ি লৈ যায়। যিজন ব্যক্তিক আমি নিজৰ জীৱনৰ এক অবিচ্ছেদ্য অংশ বুলি ভাবিছিলোঁ, তেওঁ হঠাতে নোহোৱা হৈ গ'লে সেই শূন্যতা সহজে পূৰণ নহয়। মৃত্যু হয়তো ক্ষণিক, কিন্তু তাৰ বেদনা বহুকাল হৃদয়ত ৰৈ যায়।

মানুহে প্ৰায়ে কয় - “মৃত্যু সহজ।” কিন্তু বাস্তৱত মৃত্যু সহজ নহয়। সহজ নহয় মৃত্যুৰ পিছত সৃষ্টি হোৱা নিস্তব্ধতা, সহজ নহয় কোনো আপোনজনৰ অনুপস্থিতি মানি লোৱা। মৃত্যুৱে বহু সময়ত এনে এক বিভীষিকা সৃষ্টি কৰে, যিয়ে মানুহক ভিতৰৰ পৰা ভাঙি পেলায়।

আন এটা উল্লেখযোগ্য কথা হৈছে - মানুহে জীৱিত অৱস্থাত যিমান সমালোচনা, বদনাম বা অৱহেলা কৰে, মৃত্যুৰ পিছত সেই ব্যক্তিজনৰ গুণগান গাবলৈ আৰম্ভ কৰে। যেন মৃত্যুৱে সকলো ভুল ঢাকি দিয়ে। কিন্তু প্ৰশ্ন উঠেঃ যি সন্মান, মৰম আৰু স্বীকৃতি এজন মানুহে জীৱিত অৱস্থাত পাব লাগিছিল, সেয়া যদি মৃত্যুৰ পিছতহে দিয়া হয়, তেন্তে সেই সন্মানৰ মূল্য কিমান?

সঁচাকৈয়ে, মৃত্যুৰ পিছত কান্দি স্মৰণ কৰাতকৈ জীৱিত অৱস্থাত মানুহক মৰম, সন্মান আৰু মূল্য দিয়াটোৱেই অধিক প্ৰয়োজনীয়। কাৰণ এজন মৃত ব্যক্তিয়ে মৃত্যুৰ পিছত সেই সন্মান অনুভৱ কৰিব নোৱাৰে।

সেয়েহে ক'ব পাৰি, মৃত্যু শব্দটো ক'বলৈ সহজ হ'লেও, “সহজ মৃত্যু” বুলি কোনো কথা নাই। মৃত্যুৰ বেদনাই সদায় কঠিন, আৰু ইয়াৰ শূন্যতা কেতিয়াও সম্পূৰ্ণভাৱে পূৰণ নহয়।

## ড° হিমন্ত বিশ্ব শৰ্মা

এক পত্ৰযোগে মন্ত্ৰীসকলৰ মাজত দপ্তৰ বিতৰণ সন্দৰ্ভত ৰাজ্যপাল আচাৰ্যলৈ প্ৰস্তাৱ প্ৰেৰণ কৰিছিল। য'ত ৰাজ্যপাল আচাৰ্যই অনুমোদন জনায়। উল্লেখ্য যে শেহতীয়া অসম বিধানসভাৰ নিৰ্বাচনত ১০২খন আসন দখললৈৰে ঐতিহাসিক বিজয় সাব্যস্ত কৰিছিল বিজেপি নেতৃত্বাধীন মিত্ৰজোঁটে। ইয়াৰ পিছতে যোৱা ১২ মে'ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু বিজেপি তথা এনডিএৰ শীৰ্ষ নেতৃত্বৰ উপস্থিতিত দ্বিতীয়টো কাৰ্যকালৰ বাবে মুখ্যমন্ত্ৰী হিচাপে ড° হিমন্ত বিশ্ব শৰ্মাই শপত লয়। একেদিনাই উক্ত ৪ মন্ত্ৰীয়েও শপতগ্ৰহণ কৰিছিল। বৃহস্পতিবাৰে তেওঁলোকৰ মাজত দপ্তৰ বিতৰণৰ আনুষ্ঠানিকতা সম্পন্ন হ'ল। উল্লেখযোগ্য যে অহা ২৬ মে'ত বিধানসভাৰ অধিৱেশনৰ সামৰণি পৰিব আৰু তাৰ পাছতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মন্ত্ৰীসভা সম্প্ৰসাৰণ কৰাৰ কথা ইতিমধ্যে ঘোষণা কৰিছে।

## উচ্চ ন্যায়ালয়ত নহ'ল

আইটেম নম্বৰ ৫ হিচাপে তালিকাভুক্ত কৰা হৈছিল। কিন্তু আবেদনখনৰ শুনানি ন্যায়াধীশ পাৰ্থিৱজ্যোতি শইকীয়াই গ্ৰহণ নকৰোঁ বুলি স্পষ্টভাৱে প্ৰত্যাখ্যান কৰে। কামাৰৰ মতে, যিহেতু ন্যায়াধীশগৰাকীয়ে গোচৰৰ শুনানি গ্ৰহণ কৰিবলৈ অনিচ্ছা প্ৰকাশ কৰিছিল, সেয়েহে জামিন আবেদনৰ সৈতে জড়িত পৰৱৰ্তী কোনো কাৰ্যবিধি একেখন বিচাৰপীঠত নহ'ব। পৰৱৰ্তী কাৰ্যপন্থা আৰু সম্ভাব্য শুনানি সন্দৰ্ভত লোক অধিবক্তা গৰাকীয়ে কয় যে বিষয়টো এতিয়া সম্পূৰ্ণৰূপে গুৱাহাটী উচ্চন্যায়ালয়ৰ পঞ্জীয়নৰ ওপৰত নিৰ্ভৰ কৰিব। পৰৱৰ্তী শুনানি কেতিয়া হ'ব সেয়া পঞ্জীয়কে সিদ্ধান্ত ল'ব। শ্যামকানু মহন্তৰ অধিবক্তা কলকাতাৰ পৰা অহাৰ বাবে অধিবক্তাই পঞ্জীয়কৰ কাষ চাপিব পাৰে। পঞ্জীয়কে তাৰিখ নিৰ্ধাৰণ কৰাৰ পাছত বিষয়টো তালিকাভুক্ত কৰা হ'ব, নহ'লে পিছত যিকোনো সময়তে ইয়াৰ তাৰিখ ঘোষণা হ'ব পাৰে।

## ৬ মাহলৈ কোনো গাড়ী

অহা ছমাহলৈ ৰাজ্য চৰকাৰে কোনোধৰণৰ নতুন গাড়ী ক্ৰয় নকৰাৰো সিদ্ধান্ত লয়। কেবিনেটৰ সিদ্ধান্তসমূহ বিষয়ে সদৰী কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সংবাদ মাধ্যমৰ আগত কয়- অহা ছমাহ অসম চৰকাৰে কোনো নতুন গাড়ী ক্ৰয় নকৰে। অৰ্থাৎ নতুন মন্ত্ৰীসকলকো অহা ছমাহলৈকে নতুন বাহন দিয়া নহ'ব। মন্ত্ৰীৰ বাবে ইতিপূৰ্বে থকা পুৰণি বাহনসমূহেই ব্যৱহাৰ কৰিব লাগিব। বৃহস্পতিবাৰৰ পৰা প্ৰযোজ্য হোৱাকৈ আগন্তুক ছমাহলৈ কোনো চৰকাৰী বিষয়াই নিজৰ খৰচতো বিদেশ ভ্ৰমণ কৰিব নোৱাৰে। চৰকাৰী ধনেৰে বিদেশলৈ যোৱা দূৰৰ কথা, ব্যক্তিগত পুঁজিৰেও বিদেশ ভ্ৰমণ কৰাৰ অনুমতি ৰাজ্য চৰকাৰে নিদিয়ে। অৱশ্যে চিকিৎসাজনিত কাৰণত এই বাধ্যবাধকতা শিথিল হ'ব। চৰকাৰী বিষয়াৰ লগতে মন্ত্ৰীসকলৰ ক্ষেত্ৰতো এই নিয়ম বাহাল থাকিব। তেওঁ লগতে কয়, ৰাজ্যপালৰ পৰা আৰম্ভ কৰি মুখ্যমন্ত্ৰীকে ধৰি সকলো মন্ত্ৰী আৰু বিষয়াৰ কনভয়ৰ বাহন কম কৰা হ'ব। কমেও ছমাহৰ বাবে কনভয়ৰ বাহনৰ সংখ্যা হ্ৰাস কৰা হ'ব। অহা ৬ মাহৰ বাবে চৰকাৰৰ ইন্ধনৰ খৰচ ২০ শতাংশ কমোৱা হ'ব। ভ্ৰমণ হ্ৰাস কৰি আৰু গাড়ী কম ব্যৱহাৰ কৰি ব্যয় কম কৰা হ'ব। যোৱা বছৰৰ তুলনাত এইবছৰ পেট্ৰ'ল আৰু ডিজেলৰ চৰকাৰী খৰচ ২০ শতাংশ হ্ৰাস কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে কয়, অহা ৬ মাহ অসম চৰকাৰে কোনো বিদেশী বস্তু ক্ৰয় নকৰে। যাতে বিদেশী মুদ্ৰা সঞ্চয় কৰিব পাৰো। অহা ছমাহলৈ সভা বা কৰ্মশালা আদি আয়োজন নকৰো যাতে মানুহ আহিবলগীয়া নহয়। অৱশ্যে ভিডিঅ' কনফাৰেঞ্চ তথা অনলাইনত কৰিব পৰা যাব। সেইদৰে চৰকাৰে গাড়ী ভাড়া ল'লে ইভি বাহন লোৱাৰ সিদ্ধান্ত লোৱা হৈছে। অসমত ১৫-২০ বছৰ পুৰণি যিমান বাহন আছে সেই সকলো বাহন স্ক্ৰেপ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে ।

## অহা ৫ বছৰত ৰাজ্যত

কেনেকৈ প্ৰদান কৰা হ'ব তাৰ ওপৰত সিদ্ধান্ত ল'বলৈ মুখ্য সচিবৰ নেতৃত্বত এখন টাস্ক ফ'ৰ্চ গঠনৰ অনুমোদন জনায়। এই টাস্ক ফ'চে কেনেকৈ ২ লাখ চৰকাৰী চাকৰি দিয়াব পাৰি, তাৰ ওপৰত পৰীক্ষা কৰিব। মুখ্য সচিবে প্ৰতিটো বিভাগৰ সৈতে আলোচনা কৰি চৰকাৰৰ দ্বাৰা নিয়ন্ত্ৰিত বিভিন্ন নিগম, বিশ্ববিদ্যালয়, ষষ্ঠ অনুসূচী আদিকে ধৰি সকলো বিভাগতে অহা ৫ বছৰত ২ লাখ যুৱক-যুৱতীক কিদৰে চৰকাৰী চাকৰি দিব পৰা যায়, তাৰ বিষয়ে অহা তিনি মাহৰ ভিতৰত মুখ্য সচিবে এখন প্ৰতিবেদন চৰকাৰক দাখিল কৰিব।

## ইউএইৰ ৰাষ্ট্ৰপতিৰ সৈতে দুখন

প্ৰৱেশ কৰাৰ লগে লগে তেওঁক অভ্যৰ্থনা জনায় এফ-১৬ যুদ্ধবিমানে। ৰীতি মতে এছক'ৰ্ট কৰি প্ৰধানমন্ত্ৰীৰ বিমানখনক লৈ অহা হয়। দুপৰীয়া ১২ বজাত আবুধাবি বিমানবন্দৰত অৱতৰণ কৰে মোদীৰ বিমানে। তাত গাৰ্ড অব অনাৰ দিয়া হয় প্ৰধানমন্ত্ৰীক। ইয়াৰ পিছত আমীৰশ্বাহীৰ ৰাষ্ট্ৰপতি শ্বেখ মহম্মদ বিন জায়েৰ আল-নায়ানক সাক্ষাৎ কৰে মোদীয়ে। তাতেই ইন্ধন সম্পৰ্কীয় দুখন চুক্তি স্বাক্ষৰিত হয়। ইয়াৰ ভিতৰত প্ৰথমখন আছিল ভাৰতলৈ এলপিজি সৰবৰাহ নিশ্চিত কৰিব আমীৰশ্বাহীয়ে। সম্প্ৰতি যুদ্ধ পৰিস্থিতিৰ মাজত এলপিজি সংকট আৰম্ভ হ'বলৈ ধৰিছে ভাৰতত। সংকট মোকাবিলাৰ ক্ষেত্ৰত আমীৰশ্বাহীৰ সৈতে ভাৰতৰ এই চুক্তি অত্যন্ত গুৰুত্বপূৰ্ণ বুলি ধাৰণা কৰিছে কূটনৈতিক মহলে। ইয়াৰ পিছতে আমীৰশ্বাহীৰ সৈতে ষ্ট্ৰেটেজিক পেট্ৰ'লিয়াম মজুতক লৈও বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে ভাৰতে। ইয়াৰ জৰিয়তে দেশখনত তেল মজুত আৰু জৰুৰী পৰিস্থিতিত ভাৰতে যাতে ইন্ধন সংকটৰ মুখামুখি হ'বলগীয়া নহয়, তাৰ খেয়াল ৰাখিব আমীৰশ্বাহীয়ে। যুদ্ধ, আন্তঃৰাষ্ট্ৰীয় সংকট আৰু হঠাৎ তেলৰ দাম বৃদ্ধিৰ দৰে বিষয়সমূহ চম্ভালিবলৈ অপৰিশোধিত তেল মজুত ৰাখে ভাৰতে। এনেক্ষেত্ৰত এইবাৰ দিল্লীক সহায়ৰ হাত আগবঢ়াব আমীৰশ্বাহীয়ে। চুক্তিত স্বাক্ষৰ হৈছে সামৰিক আৰু নিৰাপত্তাৰ ক্ষেত্ৰত দুয়োখন দেশে একেলগে কাম কৰাৰ বাবে।

## বটদ্ৰৱা থান দৰ্শন কৰি আশিস

কৰিবলৈ সক্ষম হৈছে। অসমৰ স্বাৰ্থ সুৰক্ষা, বিকাশমুখী আঁচনি ৰূপায়ণ তথা দুখীয়া-দৰিদ্ৰ লোকৰ কল্যাণৰ বাবে কাম কৰি যাবলৈ চৰকাৰখনে যাতে কোনো ধৰণৰ অসুবিধাৰ সন্মুখীন হ'বলগীয়া নহয়, তাৰ বাবে জনসাধাৰণে মিত্ৰজোটৰ চৰকাৰখনক হিয়া উজাৰি আশীৰ্বাদ প্ৰদান কৰিছে বুলি তেওঁ মন্তব্য কৰে। ইয়াৰ বাবে জনসাধাৰণলৈ কৃতজ্ঞতা জ্ঞাপন কৰি মুখ্যমন্ত্ৰীয়ে কয়-ৰাইজৰ কল্যাণৰ লগতে অসমক সুৰক্ষিত কৰি ৰখা আৰু বিকাশৰ দিশেৰে ৰাজ্যখনক যাতে ভাৰতবৰ্ষৰ ভিতৰতে এখন শক্তিশালী আৰু সমৃদ্ধিশালী ৰাজ্যলৈ ৰূপান্তৰ কৰিব পৰা যায়, তাৰ বাবে ৰাজ্য চৰকাৰে আগন্তুক পাঁচ বছৰত দিনে-নিশাই কৰ্মযজ্ঞত নিমগ্ন হৈ থাকিব। জনসাধাৰণক দিয়া প্ৰতিশ্ৰুতিসমূহ পালনৰ অৰ্থে চৰকাৰে কঠোৰ পৰিশ্ৰম কৰিব। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ হৈছে অসমৰ জাতীয় জীৱনৰ পথ প্ৰদৰ্শক। গুৰুজনাই অসমীয়া জাতিক প্ৰাণ দিয়াৰ লগতে নিজস্ব পৰিচয়েৰে জাতিটোক জগত সভাত পৰিচয় কৰাই দিছিল। মুখ্যমন্ত্ৰীয়ে কয়-মহাপুৰুষজনাৰ আশীৰ্বাদ লৈ আৰু তেৰাই দেখুৱাই যোৱা পথেৰে অহা পাঁচ বছৰ আমি খোজ কাঢ়িম আৰু তেৰাই যিখন অসমৰ কল্পনা কৰিছিল, সেইখন অসমৰ বাবে নিশ্চিভাৱে কাম কৰিম। শ্ৰী শ্ৰী বটদ্ৰৱা থানৰ উন্নয়নৰ সন্দৰ্ভত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়- এই পৱিত্ৰ স্থানক দেশৰ ভিতৰতে এক আকৰ্ষণীয় আধ্যাত্মিক স্থান হিচাপে গঢ়ি তোলাৰ প্ৰচেষ্টা ৰাজ্য চৰকাৰে অব্যাহত ৰাখিব। থানখনৰ পৰম্পৰা আৰু ঐতিহ্য সংৰক্ষণৰ লগতে পৰ্যটনৰ দৃষ্টিৰে থানখনত যাত্ৰীসকলৰ বাবে প্ৰয়োজনীয় সা-সুবিধাসমূহো গঢ়ি তোলা হ'ব। অসমৰ সকলোবোৰ সত্ৰৰ সংৰক্ষণ আৰু সংবৰ্ধনৰ দিশত ৰাজ্য চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ আৰু চৰকাৰে অসমৰ বাহিৰত থকা সত্ৰসমূহৰ উন্নয়নৰ বাবেও কাম কৰিব। ইয়াৰ বাবে মুখ্যমন্ত্ৰীয়ে জনসাধাৰণৰ আশীৰ্বাদ কামনা কৰে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই শ্ৰী শ্ৰী বটদ্ৰৱা থানত উপস্থিত হোৱাৰ সময়ত শ্ৰী শ্ৰী নৰোৱা সত্ৰৰ সত্ৰাধিকাৰ তথা শ্ৰী শ্ৰী বটদ্ৰৱা থান পৰিচালনা সমিতিৰ সভাপতি অম্লানজ্যোতি দেৱগোস্বামী, শ্ৰীশ্ৰী শলগুৰি সত্ৰৰ সত্ৰাধিকাৰ তথা থান পৰিচালনা সমিতিৰ উপ-সভাপতি যোগেন্দ্ৰ নাৰায়ণ দেৱমহন্ত, শ্ৰীশ্ৰী নৰোৱা কুঁজি সত্ৰৰ সত্ৰাধিকাৰ নিত্যানন্দ দেৱগোস্বামী আদিকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে আদৰণি জনায়। মুখ্যমন্ত্ৰীৰ এই থান দৰ্শনৰ সময়ত বিধায়ক ৰমাকান্ত দেউৰী, শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ সচিব সুদৰ্শন ঠাকুৰ উপস্থিত থাকে।

## বিধানসভা অধিৱেশনত উত্থাপন

দিয়া হোৱা নাই ইউচিচিক। ইউচিচিৰ আওতাৰ ভিতৰত জনজাতীয় সমাজ তথা ধৰ্মীয় ৰীতি-নীতিক বাহিৰত ৰাখি ইয়াৰ খচৰা প্ৰস্তুত কৰা হৈছে। অসমৰ মুঠ চাৰিটা বিষয় আছে ইউচিচিৰ খচৰা বিধেয়কত। প্ৰথমটো হ'ল, ধৰ্ম-জাতি নিৰ্বিশেষে বিবাহৰ ন্যূনতম বয়স নিৰ্দিষ্ট কৰা হ'ব। দ্বিতীয়টো বহুবিবাহ নিষিদ্ধ, তৃতীয়তে কন্যা সন্তানৰো থাকিব লাগিব পৈত্ৰিক সম্পত্তিৰ ওপৰত অধিকাৰ আৰু চতুৰ্থতে পঞ্জীয়নবিহীন লিভ ইন ৰিলেচন বা বিবাহ বহিৰ্ভূতভাৱে বসবাস কৰাটো। এই বিধেয়কে ধৰ্মৰ ভিত্তিত ব্যক্তিগত আইনসমূহৰ পৰিৱৰ্তে এক সামূহিক আইন পৰিকাঠামো গঢ়ি তুলি সমতা, স্বচ্ছতা আৰু ন্যায় নিশ্চিত কৰিব। আজিৰ কেবিনেট বৈঠকত অসম বিধানসভাৰ অধিৱেশন ২১ মে'ৰ পৰা ২৬ মে'লৈ মুঠ চাৰিদিনীয়াকৈ অনুষ্ঠিত কৰাৰ সিদ্ধান্তগ্ৰহণ কৰা হয়। বিধানসভাৰ এই চাৰিদিনীয়া অধিৱেশনতে নিৰ্বাচিত বিধায়কসকলে শপতগ্ৰহণ কৰিব। আনহাতে নতুন চৰকাৰৰ প্ৰথমখন বিধানসভাৰ অধিৱেশন হিচাপে ৰাজ্যপালে ভাষণ দিব। ২১-২২ মে'ত বিধায়কসকলৰ শপতগ্ৰহণ, ২৫ মে'ত ৰাজ্যপালৰ ভাষণৰ পাছত ২৬ মে'ত উত্থাপন হ'ব ইউচিচি বিধেয়ক। মুখ্যমন্ত্ৰী ড° শৰ্মাই এই কথা সদৰী কৰি জানিবলৈ দিয়ে যে বিধায়কসকলক শপতগ্ৰহণ কৰোৱাৰ বাবে ইতিমধ্যে নিৰ্বাচিত জ্যেষ্ঠ বিধায়ক চন্দ্ৰমোহন পাটোৱাৰীক প্ৰটেম অধ্যক্ষৰূপে অনুমোদন জনাবলৈ ৰাজ্যপালক কেবিনেট বৈঠকে অনুৰোধ জনোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰে। নৱনিৰ্বাচিত বিধায়কসকলৰ শপতগ্ৰহণৰ পিছতে বিধানসভাৰ স্থায়ী অধ্যক্ষ নিৰ্বাচন কৰা হ'ব। ইতিমধ্যে বিজেপি নেতৃত্বাধীন মিত্ৰজোঁটৰ তৰফৰ পৰা বিধায়ক ৰঞ্জিত কুমাৰ দাসৰ নাম অধ্যক্ষ পদৰ বাবে চূড়ান্ত কৰা হৈছে। আজিৰ কেবিনেটে বিজেপিৰ নিৰ্বাচনী ইস্তাহাৰখনক চৰকাৰৰ নীতি নিৰ্ধাৰণৰ আধাৰ হিচাপে গ্ৰহণ কৰাৰ সিদ্ধান্ত লয়। কেবিনেটে সিদ্ধান্তৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই জানিবলৈ দিয়ে যে ২০২৬ৰ বিধানসভা নিৰ্বাচনত বিজেপি নেতৃত্বাধীন এনডিএই লাভ কৰা নিৰ্ণায়ক জনাদেশ হৈছে বিজেপিৰ সংকল্প-পত্ৰৰ প্ৰতি ৰাজহুৱা সমৰ্থন। অহা ৫ বছৰৰ কাৰ্যকালৰ বাবে ৩১টা সংকল্পৰে সমৃদ্ধ এই সংকল্পৰ কাৰ্যকৰীকৰণ এক সাংবিধানিক আৰু গণতান্ত্ৰিক দায়িত্ব। ৰাজ্য চৰকাৰে সংকল্প-পত্ৰখনৰ গোটেই ৩১টা সংকল্প ২০২৬-২০৩১ত পৰ্যায়গত প্ৰাথমিকতা আৰু সময়সীমাৰ ভিতৰত ৰূপায়ণ কৰাৰ প্ৰতিশ্ৰুতিৰ প্ৰতি পুনৰ দায়বদ্ধতা প্ৰকাশ কৰে। সকলো বিভাগে নিজা পৰিকল্পনা নীতি আৰু আঁচনিসমূহ সংকল্প-পত্ৰ '২৬ৰ সৈতে সামঞ্জস্য ৰাখি বিবেচনা আৰু অনুমোদনৰ বাবে কেবিনেটৰ ওচৰত প্ৰয়োজনীয় প্ৰস্তাৱ আগবঢ়াব। তদুপৰি মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ত এক সংকল্প-পত্ৰ ৰূপায়ণ কোষ স্থাপন কৰা হ'ব, যাৰ দ্বাৰা সংকল্প ৰূপায়ণ সন্দৰ্ভত সমন্বয়, নিৰীক্ষণ আৰু প্ৰতিবেদন প্ৰদান কৰা আৰু উদ্ভৱ হোৱা আন্তঃবিভাগীয় সমস্যাবোৰৰ সমাধান কৰিব।

# হেমন্ত চৌধুৰীক মুখ্যমন্ত্ৰীৰ

শনিবাৰে মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ৰ পৰা জাৰি কৰা এক নিৰ্দেশনাযোগে হেমন্ত চৌধুৰীক পুনৰ মুখ্যমন্ত্ৰীৰ বিশেষ কৰ্তব্যৰত বিষয়া হিচাপে নিযুক্তি দিয়া হয়। মুখ্যমন্ত্ৰীৰ সচিবালয়ে প্ৰকাশ কৰা এক নিৰ্দেশযোগে উল্লেখ কৰা হৈছে যে ৰূপান্তৰ আৰু উন্নয়ন বিভাগৰ সহকাৰী গৱেষণা বিষয়া হেমন্ত চৌধুৰীয়ে নিজ বিভাগৰ লগতে মুখ্যমন্ত্ৰীৰ বিশেষ কৰ্তব্যৰত বিষয়া (অ'এছডি) হিচাপেও কাৰ্যভাৰ চম্ভালিব। উল্লেখ্য, মুখ্যমন্ত্ৰী হিচাপে ড° হিমন্ত বিশ্ব শৰ্মাৰ প্ৰথমটো কাৰ্যকালটো হেমন্ত চৌধুৰী মুখ্যমন্ত্ৰীৰ অ'এছডি হিচাপে দায়িত্ব পালন কৰিছিল। ইয়াৰ লগতে শনিবাৰৰ দিনটোত মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ে জাৰি কৰা আন এক নিৰ্দেশনাযোগে, জ্যেষ্ঠ সাংবাদিক ধ্ৰুৱ মহন্তক মুখ্যমন্ত্ৰীৰ প্ৰধান প্ৰেছ সচিব হিচাপে পুনৰ নিযুক্তি দিয়া হয়। এই নিযুক্তি কেবিনেটৰ অনুমোদন সাপেক্ষে দিয়া হৈছে। আনহাতে নৱজিৎ পাটগিৰিকো মুখ্যমন্ত্ৰীৰ বিশেষ কৰ্তব্যৰত বিষয়াৰ দায়িত্বত পুনৰ নিযুক্তি দিয়া হৈছে। নৱজিৎ পাটগিৰি মুখ্যমন্ত্ৰীৰ যোগাযোগ, জনসংযোগ প্ৰট'কলৰ দায়িত্বত থাকিব।

# ভাৰতীয় 'এ' দলৰ

ঘোষিত দলটোত অন্তৰ্ভুক্ত কৰা হৈছে। উক্ত শৃংখলাৰ দ্বাৰাই এদিনীয়া আন্তৰ্জাতিক ক্ৰিকেটত অভিষেক ঘটিব বৈভৱ সূৰ্যবংশীৰ। শৃংখলাটোত ভাৰতৰ উপৰিও শ্ৰীলংকা এ আৰু আফগানিস্তান এ অংশগ্ৰহণ কৰিব। শৃংখলাটোৰ বাবে ঘোষিত ভাৰতীয় এ দলটো হ'ল- তিলক বাৰ্মা, প্ৰিয়াংশ আৰ্য, বৈভৱ সূৰ্যবংশী, ৰিয়ান পৰাগ, আয়ুস বাড'নি, নিশান্ত সিন্ধু, হৰ্ষ ডুবে, সূৰ্যাংশ ছেজে, প্ৰভছিমৰন সিং, কুমাৰ কুশাগ্ৰা, বিপ্ৰাজ নিগম, য়শ ঠাকুৰ, যুধবীৰ সিং, অংশুল কম্বোজ আৰু আছাদ খান।

# মা কামাখ্যা মন্দিৰ দৰ্শন

শক্তিৰ আধাৰ। দ্বিতীয়বাৰৰ বাবে মুখ্যসেৱক হিচাপে ৰাজ্যবাসীৰ সেৱা আগবঢ়াবলৈ মা কামাখ্যাই মোক যি অপাৰ আশিস প্ৰদান কৰিলে, তাত মই ধন্য হৈছোঁ।আজি মাৰ শ্ৰীচৰণত মোৰ দ্বিতীয়টো কাৰ্যকালৰ বাবে আশীৰ্বাদ বিচাৰি তথা অসমবাসীৰ কুশল-মংগল কামনা কৰি নতশিৰে সেৱা জনাওঁ। সকলোকে কুশলে ৰাখিবা মা! কামাখ্যা মন্দিৰত উপস্থিত হোৱা মুখ্যমন্ত্ৰীক শক্তিপীঠৰ দলৈ আৰু বৰদেউৰী সমাজে শুভেচ্ছা জ্ঞাপন কৰে। শুভেচ্ছা গ্ৰহণ কৰি কৃতজ্ঞতা প্ৰকাশ কৰে মুখ্যমন্ত্ৰীয়ে। আনহাতে মন্দিৰ দৰ্শনৰ পাছতে সংবাদ মাধ্যমৰ সৈতে হোৱা বাৰ্তালাপত মুখ্যমন্ত্ৰীয়ে কয়- মহামায়া মা কামাখ্যাৰ আশীৰ্বাদত আমাৰ ৰাজ্যখন সকলো ফালৰে পৰা অহা ৫ বছৰত অনিৰুদ্ধ গতিৰে আগবাঢ়ি যাব।

# দ্বিতীয়দিনাও ৮ ঘণ্টাৰ

পূৰ্বে ৫ এপ্ৰিলত সংবাদমেল সম্বোধন কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ পত্নী ৰিণিকি ভূঞা শৰ্মাৰ তিনিখনকৈ পাছপ'ৰ্ট আৰু বিদেশত সম্পত্তি থকাৰ অভিযোগ উত্থাপন কৰিছিল পৱন খেড়াই ।কিন্তু এই অভিযোগক ভিত্তিহীন বুলি উল্লেখ কৰি ৰিণিকি ভূঞা শৰ্মাই পৱন খেড়াৰ বিৰুদ্ধে অপৰাধ শাখাত এজাহাৰ দাখিল কৰিছিল ।এই এজাহাৰৰ ভিত্তিত গোচৰ ৰুজু কৰাৰ পিছতে আৰক্ষীয়ে পৱন খেড়াক বিচাৰি দিল্লী পৰ্যন্ত অভিযান চলায় ।কিন্তু তেওঁক গ্ৰেপ্তাৰ কৰাত ব্যৰ্থ হয় । আনহাতে, তেলেংগানা উচ্চ ন্যায়ালয়ে পৱন খেড়াক ৭ দিনৰ চৰ্তসাপেক্ষ অগ্ৰিম জামিন প্ৰদান কৰে যদিও এই জামিন নিৰ্দেশনাত ত্ৰুটি ৰৈ যোৱাৰ অভিযোগ তুলি অসম চৰকাৰ উচ্চতম ন্যায়ালয়ৰ দ্বাৰস্থ হয় আৰু উচ্চতম ন্যায়ালয়ে তেলেংগানা উচ্চ ন্যায়ালয়ৰ চৰ্তসাপেক্ষ জামিনত স্থগিতাদেশ জাৰি কৰে । ইয়াৰ পিছতে পৱন খেড়াই এই স্থগিতাদেশৰ নিৰ্দেশক প্ৰত্যাহান জনাই পুনৰ উচ্চতম ন্যায়ালয়ৰ দ্বাৰস্থ হয় যদিও উচ্চতম ন্যায়ালয়ে তেওঁক অসমৰ আদালতত জামিন আবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিয়ে । ইয়াৰ পিছত তেওঁ গুৱাহাটী উচ্চ ন্যায়ালয়ৰ দ্বাৰস্থ হয় যদিও গুৱাহাটী উচ্চ ন্যায়ালয়ে জামিন আবেদন নাকচ কৰাত পুনৰ উচ্চতম ন্যায়ালয়ৰ দ্বাৰস্থ হোৱাত উচ্চতম ন্যায়ালয়ে পৱন খেড়াৰ জামিন মঞ্জুৰ কৰে ।

# ভিডি সতীশন হ'ব

ঘোষণা কৰে ।উলেখযোগ্য যে নিৰ্বাচনৰ ফলাফল ঘোষণাৰ পিছত ১০ দিন ধৰি কেৰালামৰ মুখ্যমন্ত্ৰী কোন হ'ব তাকে লৈ টনা-আঁজোৰা চলি আছিল কংগ্ৰেছৰ ভিতৰ ভাগত। জানিব পৰা মতে, পৰৱৰ্তী মুখ্যমন্ত্ৰী হিচাপে কেচি বেণুগোপালক সমৰ্থন কৰে ৭জনে। সতীশনে লাভকৰে দুজনৰ সমৰ্থন। কিন্তু দলৰ নিম্ন পৰ্যায়ৰ নেতা-কৰ্মীসকলৰ সতীশনৰ পক্ষত গ্ৰহণ কৰা স্থিতিয়ে তেওঁক মুখ্যমন্ত্ৰী হিচাপে বাছনি কৰিবলৈ বাধ্য কৰায়।

# দায়িত্ব গ্ৰহণ কৰিয়েই ১০০ দিনীয়া

বৈঠকত বিস্তৃতভাৱে আলোচনা কৰা হয়। তদুপৰি মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযান আৰু কৰ প্ৰধানমন্ত্ৰী আৱাস যোজনা (গ্ৰামীণ)ৰ অগ্ৰগতিৰো বুজ লয়। এই বৈঠকৰ অন্তত সংবাদ মাধ্যমৰ আগত মন্ত্ৰী অতুল বৰাই কয়- আজিৰ বৈঠকত ১০০দিনীয়া কৰ্মসূচী প্ৰস্তুত কৰা হৈছে। এই কাৰ্যসূচীৰ জৰিয়তে মুখ্যমন্ত্ৰীৰ প্ৰচেষ্টাত বিশেষকৈ চাহ বাগিচা অঞ্চলৰ প্ৰতিটো পৰিয়ালক একোটাকৈ ঘৰ নিশ্চিতকৰণ হ'ব প্ৰধান লক্ষ্য। মন্ত্ৰীগৰাকীয়ে ইয়াকো জানিবলৈ দিয়ে যে আত্মসহায়ক গোটসমূহক আগবঢ়াই নিয়াৰ ক্ষেত্ৰত মৌপালনৰ সুবিধা দিয়াৰ ক্ষেত্ৰতো এক সিদ্ধান্ত গ্ৰহণ কৰা হয় । তদুপৰি বৈঠকত মুখ্য অগ্ৰাধিকাৰসমূহৰ ভিতৰত আছে- ১০০ শতাংশ ই-কেৱাইচি আৰু সেৱা সেতুৰ মাধ্যমেৰে অনলাইন সংযোগৰ সৈতে স্মাৰ্ট জবকাৰ্ড প্ৰচলন, এক গাঁও পঞ্চায়ত এক সামগ্ৰীৰ প্ৰসাৰ, আত্মসহায়ক গোট নেতৃত্বাধীন উদ্যোগ, আনুষংগিক বিভাগৰ সৈতে সমন্বয়, চাহ বাগিচাৰ লোকসকলৰ বাবে কৰ্মসংস্থাপনৰ পৰিকল্পনা আৰু আমব্ৰেলা প'ৰ্টেলৰ মাধ্যমেৰে কেন্দ্ৰীভূত বিক্ৰেতা ব্যৱস্থাপনাৰ প্ৰসাৰ আদি বিষয় বিস্তৃতভাৱে আলোচনা কৰা হয়। তদুপৰি প্ৰধানমন্ত্ৰীৰ আৱাস যোজনা আঁচনিৰ অধীনত ২ লাখ গৃহৰ নিৰ্মাণকাৰ্য সম্পূৰ্ণ কৰা, পেঞ্চন আৰু অভিযোগ ব্যৱস্থাৰ ডিজিটাইজেচন, স্থানীয় সংস্থাৰ বাবে অনলাইন সেৱাৰ সংস্কাৰ সাধনতো আজিৰ বৈঠকত গুৰুত্ব আৰোপ কৰা হৈছে। ইফালে মন্ত্ৰীগৰাকীয়ে সংবাদ মাধ্যমৰ আগত জানিবলৈ দিয়ে যে মুখ্যমন্ত্ৰীয়ে দায়িত্ব অৰ্পণ কৰা অসম চুক্তি বিভাগৰ কাম-কাজৰ অগ্ৰগতিত গুৰুত্ব আৰোপ কৰা হ'ব। চৰকাৰখনৰ মূল লক্ষ্য হ'ল খিলঞ্জীয়াৰ সুৰক্ষা। ইতিমধ্যে অসম চুক্তিৰ ৬নং দফা কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত বিপ্লৱ কুমাৰ শৰ্মা কমিটীয়ে দাখিল কৰা প্ৰতিবেদনৰ কেইবাটাও পৰামৰ্শ কাৰ্যকৰী কৰা হৈছে আৰু আন পৰামৰ্শসমূহো অতি সোনকালে কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত বিভাগে পদক্ষেপ গ্ৰহণ কৰিব। ইফালে সীমান্ত উন্নয়ন বিভাগ সন্দৰ্ভত অতুল বৰাই স্পষ্ট কৰে যে চুবুৰীয়া ৰাজ্যসমূহৰ সৈতে সীমা সমস্যা সমাধানৰ ক্ষেত্ৰত ইতিমধ্যে আলোচনা অব্যাহত আছে আৰু এই আলোচনা আগন্তুক সময়তো আগুৱাই নিয়া হ'ব। উল্লেখযোগ্য যে আবকাৰী বিভাগৰ মন্ত্ৰীৰ দায়িত্ব লাভ কৰা বৰাই সাংবাদিকৰ আগত স্পষ্টভাৱে কয় যে আবকাৰী মানেই ৰাজহ নহয়। ৰাজহ সংগ্ৰহ আমাৰ মূল উদ্দেশ্য নহয়। ড্ৰাই এৰিয়াসমূহত সুৰা সেৱন কৰা মানুহেও যিকোনো উপায় অৱলম্বন কৰি হ'লেও সুৰা সেৱন কৰে। অৱশ্যে বিভাগটোলৈ কিছু নতুনত্ব অনাৰ প্ৰয়োজন আছে বুলিও কয় বৰাই।

# নেদাৰলেণ্ডত প্ৰধানমন্ত্ৰী মোদীক

ডিজিটেল অগ্ৰগতি আৰু বিশ্বদৰবাৰত ভাৰতৰ ক্ৰমবৰ্ধমান সাফল্যৰ কথা দাঙি ধৰে। প্ৰধানমন্ত্ৰীৰ ভাষণত দেশৰ পাঁচখন ৰাজ্যৰ সদ্যসমাপ্ত বিধানসভা নিৰ্বাচনৰ প্ৰসংগয়ো ঠাই পায়। তেওঁ কয়, 'পশ্চিমবংগ, অসম, কেৰালাম, পুডুচেৰীত ব্যাপক হাৰত ভোটদান কৰিছে নাগৰিকে। ভোটদানৰ হাৰ ৯০ শতাংশ পাৰ হৈ গৈছে। মহিলাসকলেও এই নিৰ্বাচনত ব্যাপক হাৰত ভোটদান কৰিছে। এয়াই এতিয়া ভাৰতৰ ট্ৰেণ্ড।' অনুষ্ঠানত প্ৰধানমন্ত্ৰী মোদীক নেদাৰলেণ্ডত থকা প্ৰবাসী অসমীয়াসকলে বিহু নৃত্যৰে আদৰণি জনায়। ভাষণত প্ৰধানমন্ত্ৰীৰ ডিঙিত অসমৰ বড়ো জনগোষ্ঠীৰ আৰনায়ে শোভাবৰ্ধন কৰে। ভাষণ প্ৰসংগত প্ৰধানমন্ত্ৰীয়ে দেশৰ বহনক্ষম শক্তি, প্ৰগতি, অৰ্থব্যৱস্থাৰ সংস্কাৰ, ছেমিকণ্ডাক্টৰ আদি প্ৰসংগও উল্লেখ কৰে। পশ্চিমবংগৰ বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযানত প্ৰধানমন্ত্ৰী মোদীয়ে ঝালমুড়ি খোৱাৰ প্ৰসংগটোৱেও ঠাই পাই তেওঁৰ ভাষণত। তেওঁ কয়, 'ঝালমুড়ি আহি এইখিনিও পাইছে নেকি?' প্ৰধানমন্ত্ৰী মোদীয়ে কয়, "যেতিয়া সাধাৰণ মানুহৰ সপোন সঁচা হয়, তেতিয়া গণতন্ত্ৰৰ প্ৰতি তেওঁলোকৰ আস্থা বৃদ্ধি পায়।" এই প্ৰসংগত শেহতীয়া বিধানসভা নিৰ্বাচনসমূহৰ কথা কওঁতেই চাৰিওফালৰ পৰা হৰ্ষোল্লাস ভাঁহি আহে। সেয়া শুনি প্ৰধানমন্ত্ৰীয়ে কয়, "ঝালমুড়ি ইয়াতো পালেহি নেকি?" প্ৰধানমন্ত্ৰীৰ নিৰ্বাচনৰ প্ৰসংগই প্ৰবাসী ভাৰতীয়ক উল্লসিত কৰি তোলা দেখা যায়। উল্লেখ্য যে ৬দিনীয়া ভ্ৰমণসূচীৰে প্ৰধানমন্ত্ৰী মোদীয়ে প্ৰথমে সংযুক্ত আৰব আমীৰশ্বাহীত উপস্থিত হয়। তাৰ পিছতে তেওঁ উপস্থিত হয় নেদাৰলেণ্ডছত। তাত স্থানীয় প্ৰশাসনৰ লগতে প্ৰবাসী ভাৰতীয়সকলে তেওঁক বিপুলভাৱে আদৰণি জনায়। ইয়াৰ পিছত তেওঁ নৰৱে', ছুইডেন, ইটালীলৈও যাব। আনহাতে প্ৰৱাসী অসমীয়াসকলে প্ৰধানমন্ত্ৰীক বিহু নৃত্যৰে আদৰা কাৰ্যক প্ৰশংসা কৰিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। প্ৰধানমন্ত্ৰীৰ সন্মুখত প্ৰৱাসী অসমীয়াসকলে প্ৰদৰ্শন কৰা বিহু নৃত্যৰ এটা ভিডিঅ' আপলোড কৰি ছচিয়েল মিডিয়াযোগে মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, 'নেদাৰলেণ্ডছৰ ভূমিত আমাৰ বিহুৰ ছন্দ, বিশ্ব দৰবাৰত অসমীয়া সংস্কৃতিৰ গৌৰৱ। আমাৰ দেশৰ মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ সন্মুখত গুঞ্জৰিত হ'ল অসমৰ বিহুৰ সুৰ। এয়া কেৱল এক নৃত্য নহয়, এয়া অসমৰ আত্মপৰিচয়, গৌৰৱ আৰু ঐতিহ্যৰ বিশ্বমঞ্চত উজ্জ্বল প্ৰকাশ।'

# উত্তৰ প্ৰদেশত প্ৰকৃতিৰ কালৰূপ

পদক্ষেপ গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিছে। আহতসকলৰ চিকিৎসা আৰু মৃতসকলৰ পৰিয়ালসমূহক সকলো ধৰণৰ সহযোগিতা প্ৰদানৰ কথাও কোৱা হৈছে। উত্তৰ প্ৰদেশ চৰকাৰৰ ৰাজহ বিভাগৰ সচিব তথা সাহায্য সচিব ঋষিকেশ ভাস্কৰ যাদৱে জনোৱা মতে ১০৭জন লোকৰ মৃতদেহ ধ্বংসস্তূপৰ পৰা উদ্ধাৰ কৰা হৈছে। বাকীকেইজন লোকৰ মৃত্যু হৈছে প্ৰচণ্ড ধুমুহাত উভালি পৰা গছ বাগৰি পৰাৰ ফলত। তদুপৰি ১৭০ পোহনীয়া জন্তুৰ প্ৰাণহানি হোৱাৰ লগতে কেইবা শতাধিক ঘৰ ধ্বংস হৈছে। আটাইতকৈ বেছি লোকৰ মৃত্যু হৈছে প্ৰয়াগৰাজত। তাত ২১জন লোকৰ মৃত্যু হৈছে। তাৰ পিছতে আছে ভদোহীত ১৮জনৰ মৃত্যু হৈছে । ফাটেহপুৰত ৯জন, বদায়ুত ৫জন, প্ৰতাপগঞ্জত ৪জন, চণ্ডোলী আৰু বন্ধ শীনগৰত দুজনকৈ লোকৰ মৃত্যু হৈছে। সোণভদ্ৰত মৃত্যু হৈছে এজনৰ। ধুমুহাৰ ফলত ফুলপুৰত ৩জন, সোৰাৱত ৩জন, মেজাত ২জন আৰু সদৰত এজনৰ মৃত্যু হয়। কেৱল ধুমুহাই নহয়, যোৱা ২৪ ঘণ্টাত ৩০খন জিলাত প্ৰবল বৃষ্টিপাত হৈছে। মথুৰা, উন্নাও আৰু প্ৰয়াগৰাজত ধুমুহাৰ লগতে শিলাবৃষ্টিও হৈছে। ক্ষতিগ্ৰস্ত হৈছে অনেক কেঁচা ঘৰ। তদুপৰি ফচলৰ প্ৰচুৰ ক্ষতি হৈছে বিভিন্ন জিলাত। গৰু, ছাগলী আদি পোহনীয়া জন্তুৰো মৃত্যু হৈছে। আনহাতে বিধ্বংসী ধুমুহাত নিহত মৃতকৰ নিকটাত্মীয়লৈ ৪ লাখ টকাকৈ সাহায্য ঘোষণা কৰিছে উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে। সমান্তৰালভাৱে এই প্ৰাকৃতিক দুৰ্যোগত ক্ষতিগ্ৰস্তসকলক পাৰ্যমানে সকলো ধৰণৰ সহায়-সহযোগিতা আগবঢ়াবলৈ সংশ্লিষ্ট জিলাৰ দণ্ডাধীশসকললৈ নিৰ্দেশ দিয়া হৈছে। লগতে মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে প্ৰাকৃতিক দুৰ্যোগৰ ফলত হোৱা ক্ষয়ক্ষতিৰ মূল্যায়ন কৰিবলৈ দুৰ্যোগ প্ৰশমন বিষয়াসকলক নিৰ্দেশ দিছে।


ENGLISH NEWS SECTION

# Assam Governor administers oath of office to Chandra Mohan Patowary as Pro-tem speaker



Guwahati, RB News: Assam Governor Shri Lakshman Prasad Acharya administered the oath of office to Shri Chandra Mohan Patowary as the Pro-tem Speaker of the 16th Assam Legislative Assembly under Clause (1) of the Article 180 of the Constitution of India at a function held in the conference hall of Lok Bhavan. Earlier, Secretary of the ALA Dulal Pegu sought permission from the Governor to start the proceedings. Commissioner and Secretary to the Governor S.S.Meenakshi Sundaram, officials of Assam Legislative assembly and Lok Bhavan were present on the occasion.

# LSG beat CSK by 7 wickets



RB News: LSG defeated CSK by seven wickets in an Indian Premier League match here on Friday. Sent in to bat, young middle-order batter Kartik Sharma smashed 71 off 42 balls to guide CSK to 187 for five. Left-arm medium pacer Akash Singh was the pick of the bowlers for LSG, returning figures of 3 for 26 from his four overs. But towards the end, Shivam Dube played a 16-ball unbeaten 32-run cameo to take CSK to a fighting total. LSG then rode on Mitchell Marsh's 38-ball 90 and Josh Inglis' 36 as the duo shared 135 runs for the opening stand to set the platform for the win. Nicholas Pooran (32 not out off 17 balls) and Mukul Choudhary (13 not out off 10) then completed the chase.

# CSK named Kuldip Yadav as replacement for Khaleel Ahmed



RB News: Chennai Super Kings (CSK) have named Kuldip Yadav as replacement for Khaleel Ahmed, who has been ruled out of the remainder of IPL due to injury. Kuldip, who'd made his IPL debut for Rajasthan Royals in 2021, will join CSK for 30 lakh. Khaleel had made five appearances for the Super Kings before getting ruled out midway during the 19th season due to a quad injury.

# Boxer Sakshi beats reigning champion Minakshi




RB News: Boxer Sakshi Chaudhary, representing Indian Army, defeated current world and Asian champion Minakshi Hooda in the women's 51kg category final at the national boxing selection trials on Friday. The 5-0 victory secured her chance to represent India at the Commonwealth Games 2026 in Glasgow and Asian Games 2026 in Japan. Notably, Sakshi had defeated Nikhat Zareen in the semi-finals.

# KKR defeated GT by 29 runs



RB News: Kolkata Knight Riders (KKR) defeated Gujarat Titans (GT) by 29 runs in a high-scoring IPL clash at the Eden Gardens on Saturday night. Batting first, Kolkata put up a massive 247 runs on the board, courtesy of a brilliant 93-run knock by Finn Allen. He was supported by Angkrish Raghuvanshi's unbeaten 82, which helped KKR cross an impressive scoring mark. Earlier, GT skipper Shubman Gill won the toss and elected to bowl first. While GT suffered a major setback with Sai Sudharsan walking off injured early on, Gill and Buttler's fireworks ultimately were not enough, as the Titans' five-match winning run came to an end.

# PV Sindhu loses to Japan's Yamaguchi



RB News: Two- time Olympic medal-winning shuttler PV Sindhu suffered defeat to Japan's world number three Akane Yamaguchi in the Thailand Open 2026 quarter-finals on Friday. World number 12 Sindhu lost 21-19, 18-21, 15-21 to Yamaguchi in a match that lasted over an hour. The two-time Olympic medallist and sixth seed Sindhu had reached the quarterfinals after beating Denmark's Amalie Schulz 21-13, 21-15 on Thursday. "I felt I made simple errors, because I was leading in the second game. It was not like we were doing the rally, it was not like easy points, but maybe I should have converted it into a win," she said after the match.

# Richard Gleeson replaces Nuwan Thushara in RCB




RB News: RCB have named England fast bowler Richard Gleeson as a replacement for Sri Lanka's pacer Nuwan Thushara. Thushara, who featured in just one match for RCB in 2025, did not play a single game in this season before he was ruled out. He joins the defending champions for a fee of Rs 1.6 crore. The 38-year-old fast bowler made his international debut for England in 2022. He has played two games for CSK in 2024 and was with Mumbai Indians (MI) last year.

# MI beat PBKS by 6 wickets



RB News: Mumbai Indians beat Punjab Kings by six wickets in their IPL match here on Thursday. Tilak Varma remained not out on 75 off 33 balls as MI chased down the target of 201 with one ball to spare. Will Jacks gave Varma company with 25 not out off 10 balls as MI reached 205 for 4 in 19.5 overs. For Punjab, Azmatullah Omarzai was the most successful bowler with figures of 2/36. Earlier, Shardul Thakur returned with excellent figures of 4 for 39 for MI, who are already out of the IPL play-offs race, but Punjab Kings still scored 200 for 8. Deepak Chahar (2/36), Corbin Bosch (1/42) and Raj Bawa (1/11) were the other MI wicket takers.


# মইনাজান



প্ৰভাত বণিয়া

মইনাজান
বতৰ ডাৱৰীয়া মেঘে গাজিছে
বিজুলীৰ চিকমিকনিত উজলি উঠিছে ডুবু ডুবু
ৰঙে ৰাঙলী, আশা-নিৰাশাৰ পালতৰা নাও
হিলদল ভাঙি হু হু বতাহ বলিছে
উৰুৱাই লৈ যাব নিঃস্ব সম্বলহীনৰ সপোনৰ পজাঘৰ
প্ৰতিনিয়ত দুখ যাতনা
চিৰ সহচৰ ঘাত-প্ৰতিঘাত বিলৈই বিপত্তি
অপায় অমংগল অশান্ত জৰ্জৰ মনে পতা সংসাৰ
বান-বাৰিষাৰ বাঢ়নি পানী
খহাই থৈ যায়
ডালদবিদ্ৰৰ গাভৰু পথাৰ
ভোকত কলমলায় কেঁচু-কুমটি
মইনাজান
দিনকাল বেয়া ভটিয়াই নাহিবি
ভয় শংকাত নাযায় নুপুৰাই আমাৰ পানীৰ ৰাতি।

# অপেক্ষা



নমিতা দাস, শুৱালকুছি

শব্দৰ জংকাৰত প্ৰাণ পোৱা
সৰাপাতৰ বিষাদ বেদনা
বোৰৰ দৰেই ---
ৰক্তৰে বঞ্চিত ফুল পাহেৰে
আবেগ বোৰ সামৰি
নিবেদিলো শ্ৰদ্ধাৰ অৰ্ঘ
তোমাৰ বাবেই জন্ম হৈছিল
মোৰ ফাগুন,
মোৰ হৃদয়ত সিঁচি দিচা
সহস্ৰ সুৰৰ জংকাৰ
যদি কেতিয়াবা লগ পাওঁ
মুখা মুখি কৈ কবলৈ নাথাকিব
কোনো শব্দ কিজানি
সাক্ষী হৈ ৰব মোৰ গোপন
চকুলো
এই যে তোমাৰ ওচৰলৈ গুচি
যাওঁ
এচাটি বতাহ হৈ
ৰ'দ হৈ
হুমুনিয়াহ হৈ
তোমাক চাবলৈ
তুমি বাৰু জানানে !
কাহানিও তোমাক নাপাওঁ বুলি
জানিও
তোমাৰ কাষত থাকো
কথা পাতো তুমি উমান
পোৱা নে !
সুৰ আৰু শব্দৰ
মাজেৰে বিচাৰো তোমাক চিৰ
দিন ।

# ড° হিমন্ত বিশ্ব শৰ্মাৰ ৰাজনৈতিক দক্ষতা

ৰাজু কলিতা, মাজুলী



অসমৰ ৰাজনৈতিক ইতিহাসত ড° হিমন্ত বিশ্ব শৰ্মা এগৰাকী এনে অদ্বিতীয় নেতা, যাৰ কৰ্মশক্তি, ৰাজনৈতিক বিচক্ষণতা আৰু দূৰদৰ্শিতাৰ বাবেই আজি ৰাজ্যখনৰ ৰাজনীতিয়ে এক নতুন মাত্ৰা লাভ কৰিছে। তৃণমূল পৰ্যায়ৰ পৰা আৰম্ভ কৰি ৰাজ্যৰ সৰ্বোচ্চশাসনভাৰ চম্ভালিবলৈ লোৱালৈকে তেওঁৰ সমগ্ৰ যাত্ৰা চমকপ্ৰদ আৰু কেইবাটাও ঐতিহাসিক মুহূৰ্তৰে পৰিপূৰ্ণ। ১৯৯৬ চনত জালুকবাৰী সমষ্টিৰ পৰা বিধায়ক হিচাপে ৰাজনীতিত প্ৰৱেশ কৰা ড° শৰ্মাই নিজৰ দক্ষতা আৰু জনসম্পৰ্কৰ জৰিয়তে নিজকে এক অপৰিহাৰ্য শক্তি হিচাপে প্ৰতিষ্ঠা কৰিছিল। দীৰ্ঘদিন ধৰি কংগ্ৰেছ দলৰ এক গুৰুত্বপূৰ্ণ মন্ত্ৰী হিচাপে কাম কৰাৰ পিছত, ২০১৫ চনত তেওঁ ভাৰতীয় জনতা পাৰ্টিত যোগদান কৰে। এই পৰিৱৰ্তনে কেৱল তেওঁৰ ব্যক্তিগত ৰাজনৈতিক জীৱনতে নহয়, সমগ্ৰ অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজনৈতিক সমীকৰণতে এক সুদূৰপ্ৰসাৰী পৰিৱৰ্তন আনে। তেওঁৰ সাংগঠনিক দক্ষতাৰ বলতে বিজেপি দলে অসমত বিগত বিধানসভা নিৰ্বাচনসমূহত অভূতপূৰ্ব সাফল্য লাভ কৰে আৰু শেহতীয়াকৈ ২০২৬ চনৰ বিধানসভা নিৰ্বাচনতো মিত্ৰজোঁটে এক ঐতিহাসিক জয় সাব্যস্ত কৰি একেৰাহে তৃতীয়বাৰৰ বাবে চৰকাৰ গঠন কৰে, যিটো তেওঁৰ গভীৰ জনপ্ৰিয়তা, সু-প্ৰশাসন আৰু নিৰ্বাচনী কৌশলৰ প্ৰতিফলন। এজন দক্ষ ৰাজনীতিবিদ হিচাপে হিমন্ত বিশ্ব শৰ্মাৰ অন্যতম ডাঙৰ বৈশিষ্ট্য হ'ল তেওঁৰ সিদ্ধান্ত গ্ৰহণৰ ক্ষিপ্ৰতা আৰু সমস্যা সমাধানৰ মানসিকতা। ক'ভিড মহামাৰীৰ জটিল পৰিস্থিতিত স্বাস্থ্যমন্ত্ৰী হিচাপে তেওঁ লোৱা সাহসী পদক্ষেপ আৰু অহৰহ কাম-কাজৰ শৈলীয়ে সমগ্ৰ দেশতে তেওঁৰ প্ৰতি এক সুকীয়া ভাবমূৰ্তি গঢ়ি তুলিছিল। তেওঁৰ নেতৃত্বত অসমত স্বাস্থ্য, শিক্ষা আৰু আন্তঃগাঁথনিৰ ক্ষেত্ৰত যুগান্তকাৰী পৰিৱৰ্তন আহিছে। ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত নতুন চিকিৎসা মহাবিদ্যালয় স্থাপন, পথ আৰু দলং নিৰ্মাণৰ জৰিয়তে সংযোগ ব্যৱস্থা উন্নত কৰাৰ লগতে বিভিন্ন প্ৰশাসনিক সংস্কাৰে ৰাজ্যৰ অৰ্থনীতিত গভীৰ প্ৰভাৱ পেলাইছে। ইয়াৰ উপৰিও, 'অৰুণোদয়'ৰ দৰে জনকল্যাণমুখী আঁচনিয়ে সমাজৰ দুৰ্বল আৰু পিছপৰা শ্ৰেণীৰ লোকসকলক আৰ্থিকভাৱে স্বাৱলম্বী কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। ৰাজনৈতিক দৰ্শনৰ ফালৰ পৰা তেওঁ সদায় থলুৱা সংস্কৃতি, ভাষা আৰু খিলঞ্জীয়া লোকসকলৰ অধিকাৰ সুৰক্ষিত কৰাৰ পক্ষত মাত মাতি আহিছে। অসম চুক্তিৰ ৰূপায়ণৰ ক্ষেত্ৰত লোৱা পদক্ষেপ, ভূমি অধিকাৰ সুৰক্ষা আৰু অবৈধ অনুপ্ৰৱেশৰ বিৰুদ্ধে তেওঁৰ দৃঢ় স্থিতিৰ বাবে তেওঁ বহুসময়ত চৰ্চাত থাকে। অৱশ্যে, তেওঁৰ কাৰ্যকালৰ কিছুমান কঠোৰ সিদ্ধান্ত, যেনে চৰকাৰী আৰু সংৰক্ষিত বনাঞ্চলৰ ভূমি উদ্ধাৰৰ বাবে চলোৱা উচ্ছেদ অভিযান আদিৰ বাবে তেওঁ সঘনাই সমালোচকৰ সন্মুখীন হয়। কিন্তু সমালোচনাকো নেওচি নিজৰ লক্ষ্যত অটল থকাৰ তেওঁৰ এই স্বভাৱেই তেওঁক অন্যান্য নেতাসকলৰ পৰা পৃথক কৰে। তেওঁ ৰাজনীতিৰ পৰা পৰিয়ালকেন্দ্ৰিক ব্যৱস্থা আঁতৰাই নতুন প্ৰজন্মৰ যোগ্য লোকক স্থান দিয়াৰ ওপৰত জোৰ দি আহিছে, যিটো আজিৰ যুৱ সমাজৰ বাবে এক উৎসাহজনক পদক্ষেপ। উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজনীতিত বিজেপিৰ ভেটি শক্তিশালী কৰাৰ ক্ষেত্ৰতো তেওঁৰ ভূমিকা অপৰিসীম। কেন্দ্ৰীয় চৰকাৰৰ সৈতে মিলি বিভিন্ন বিদ্ৰোহী গোটৰ সৈতে আলোচনা আৰু শান্তি চুক্তি স্বাক্ষৰ কৰাত তেওঁৰ অৱদানে অসম আৰু উত্তৰ-পূৰ্বাঞ্চলত এক শান্তিপূৰ্ণ পৰিৱেশ ঘূৰাই আনিবলৈ সহায় কৰিছে। বড়োলেণ্ড শান্তি চুক্তি আৰু কাৰ্বি আংলং শান্তি চুক্তিৰ দৰে পদক্ষেপসমূহে অঞ্চলটোত দীৰ্ঘদিনীয়া সংঘাতৰ অন্ত পেলাইছে। মূলতঃ, হিমন্ত বিশ্ব শৰ্মা কেৱল এজন শাসক নহয়, তেওঁ এগৰাকী কৌশলী ৰাজনীতিবিদ আৰু দূৰদৰ্শী পৰিকল্পনাকাৰী। তেওঁৰ পৰিশ্ৰম, সাহস আৰু উন্নয়নমুখী মনোভাৱে তেওঁক অসমৰ ৰাজনৈতিক আকাশৰ এক উজ্জ্বল নক্ষত্ৰ হিচাপে প্ৰতিষ্ঠা কৰাৰ লগতে ৰাজ্যখনৰ অৰ্থনৈতিক আৰু সামাজিক বিকাশৰ ক্ষেত্ৰত এক নতুন যুগৰ সূচনা কৰিছে।

# কলেজীয়া জীৱন

ঠাই, ভাষা আৰু সংস্কৃতিৰ শিক্ষাৰ্থী একেলগে মিলি থাকে। ফলত শিক্ষাৰ্থীয়ে ভাতৃত্ববোধ, সহনশীলতা আৰু সামাজিক মূল্যবোধৰ শিক্ষা লাভ কৰে। ইয়ে তেওঁলোকক এজন দায়িত্বশীল নাগৰিক হিচাপে গঢ়ি তোলে।

সাম্প্ৰতিক যুগত কলেজীয়া জীৱনৰ ধৰণ বহু পৰিমাণে সলনি হৈছে। আধুনিক প্ৰযুক্তিৰ ব্যৱহাৰে শিক্ষা ব্যৱস্থাক সহজ কৰি তুলিছে। অনলাইন ক্লাছ, ডিজিটেল লাইব্ৰেৰী আৰু ইণ্টাৰনেটৰ সহায়ত শিক্ষাৰ্থীয়ে অধিক জ্ঞান আহৰণ কৰিব পাৰিছে। কিন্তু প্ৰযুক্তিৰ সদ্ব্যৱহাৰ কৰাটোও অত্যন্ত প্ৰয়োজনীয়।

সহজ ভাষাত ক'ব পাৰি যে কলেজীয়া জীৱন হৈছে জীৱনৰ এক সোণালী সময়। এই সময়ত লাভ কৰা শিক্ষা, অভিজ্ঞতা আৰু স্মৃতিবোৰ আজীৱন মনত ৰৈ যায়। সঠিকভাৱে সময়ৰ ব্যৱহাৰ কৰি পৰিশ্ৰম কৰিলে কলেজীয়া জীৱন সফল আৰু উজ্জ্বল ভৱিষ্যতৰ ভিত্তি স্থাপন কৰিব পাৰে। সেয়েহে, প্ৰতিজন শিক্ষাৰ্থীয়ে কলেজীয়া জীৱনৰ মূল্য বুজি তাৰ সদ্ব্যৱহাৰ কৰা উচিত।

অণুগল্প

# বিভ্ৰান্তি

মামণি পাপৰি বৰুৱা বৰা, কলিয়াবৰ

জোখতকৈ বস্তুৰ দামবোৰ যেন দিনে দিনে বাঢ়িয়েই আছে। দিন হাজিৰা কৰি পোৱা টকা কেইটাৰে সংসাৰ খনৰ জোৰা টাপলি মাৰিব নোৱাৰা অৱস্থা হৈছে নৰেন্দ্ৰৰ....

লোকৰ ঠেলা খন চলাই চলাই ভাৰা কঢ়িয়াই ভাৰি গৈছে, চহৰলৈ অহাতো কৈ গাঁৱতেই থাকি যদি হাতে পাতে বিভিন্ন খেতি কে কৰিলো হেতেন... আজিৰ দৰে হয়তো কষ্টৰ বিনিময় ইমান কম নহ'ল হেঁতেন।

ৰঙিলী বাৰ্তা কৰ্তৃক ড° উদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ ড° উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- Dr. UDDIPTA NAYAN MEDHI Ph.98542-15286